কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।
— সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৩১ জুলাই, ২০২৬/১৪ শাওণ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ
● সংখ্যা - ১৬ ● Vol - 15, Issue - 16


# ক্ষতিগ্ৰস্ত চাৰি জিলাৰ এক লাখৰো অধিক পৰিয়ালক দিয়া হ'ব ১৫ হাজাৰকৈ টকা ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

**গুৱাহাটী ঃ** বিধ্বংসী বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ সৰ্বস্বান্ত এক লাখৰে অধিক পৰিয়ালক চৰকাৰে আগবঢ়াব ১৫ হাজাৰকৈ টকাৰ এককালীন সাহায্য। আগত ৪-৫ দিনৰ ভিতৰত বেংক একাউণ্টযোগে প্ৰতিটো পৰিয়ালে লাভ কৰিব এই ধন। ফে'চবুক লাইভযোগে ই ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যবাসীক সম্বোধন কৰি তেওঁ কয় যে প্ৰশাসনৰ উপৰি দল-সংগঠন, ব্যক্তিবিশেষে বানপীড়িত ৰাইজক খাদ্য-সামগ্ৰী আৰু অন্যান্য সামগ্ৰীৰে সাহায্য আগবঢ়াইছে। কিন্তু দুৰ্গত ৰাইজক এতিয়া প্ৰয়োজন হৈছে কিছু নগদ ধনৰ। সেয়ে তৎকালীনভাৱে চৰকাৰৰ ফালৰ পৰা পৰিয়ালসমূহে ১৫ হাজাৰ টকাকৈ লাভ কৰিব। বানত গুৰুতৰভাৱে আক্ৰান্ত পৰিয়ালক এই সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। এতিয়াৰ পৰা তালিকা প্ৰস্তুত কৰি পৰ্যায়ক্ৰমে এই ধন প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইপিনে বানপীড়িত ৰাইজৰ সাহায্য হোৱাকৈ বানবিধ্বস্ত চাৰি জিলাৰ অৰুণোদয় হিতাধিকাৰীসকলক ২৫০০ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অহা ১ আগষ্টত তেওঁলোকৰ ধনসমূহ বেংক একাউণ্টযোগে প্ৰদান কৰা হ'ব। ৭ পৃষ্ঠাত



## ড° হিমন্ত বিশ্ব শৰ্মা ২.০ চৰকাৰৰ ঐতিহাসিক বাজেট

### জয়ন্ত মল্ল বৰুৱাৰ দূৰদৰ্শী আৰ্থিক নক্সা

■ প্ৰকাশ কৈৰালা

অসমৰ ইতিহাসত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট কেৱল এখন বছৰেকীয়া আয়-ব্যয়ৰ নথি নহয়; ই হৈছে HBS 2.0 চৰকাৰৰ উন্নয়ন দৰ্শন, আৰ্থিক শৃংখলা আৰু আত্মনিৰ্ভৰ অসমৰ এক সুদূৰপ্ৰসাৰী ৰণকৌশল। নতুন বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উপস্থাপন কৰা এই প্ৰথম বাজেটে স্পষ্টভাৱে দেখুৱাইছে যে অসম এতিয়া স্থিতিশীল অৰ্থনীতি, দ্ৰুত বিকাশ আৰু সুদৃঢ় বিত্তীয় ব্যৱস্থাপনা থকা এখন ৰাজ্য হিচাপে নতুন যুগত প্ৰৱেশ কৰিছে।

বাজেট এখন কেৱল চৰকাৰৰ আয়-ব্যয়ৰ দলিল নহয়; ই এখন ৰাজ্যৰ উন্নয়ন-দৰ্শন, অৰ্থনৈতিক অগ্ৰাধিকাৰ আৰু ভৱিষ্যতৰ পথনক্সা। সেই অৰ্থত HBS 2.0 চৰকাৰৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উপস্থাপন কৰা ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম বাজেটখন অসমৰ বিকাশৰ যাত্ৰাত এক উল্লেখযোগ্য সন্ধিক্ষণ। এই বাজেটে চলিত বৰ্ষৰ ব্যয়ৰ সীমা অতিক্ৰম কৰি ২০৪০ চনৰ উন্নত আৰু আত্মনিৰ্ভৰ অসমৰ ভেটি গঢ়াৰ এক সুসংহত আৰ্থিক কৌশল আগবঢ়াইছে।

প্ৰায় ২ লাখ কোটি টকাৰ বাজেট, ৮৫ শতাংশ বাজেট ব্যয়, ২৬,৫০০ কোটি মূলধনী বিনিয়োগ আৰু ৮.১৩ লাখ কোটি GSDP-ৰ লক্ষ্যই স্পষ্টকৈ বুজাই দিয়ে যে চৰকাৰে উন্নয়নৰ গতি আৰু বিত্তীয় শৃংখলাৰ মাজত এক সুসমন্বয় স্থাপন কৰাৰ চেষ্টা কৰিছে। বাজেট ঘাটি ৪১৯.২৬ কোটিলৈ সীমিত ৰখা, GSDP-ৰ তুলনাত ঋণৰ অনুপাত ২৪.৮১ শতাংশলৈ নিয়ন্ত্ৰণত ৰখা আৰু ৰাজ্যৰ নিজস্ব ৰাজহৰ অংশ ৩৬ শতাংশলৈ উন্নীত হোৱাটো বিত্তীয় ব্যৱস্থাপনাৰ ক্ষেত্ৰত ইতিবাচক সংকেত।

এই বাজেটৰ অন্যতম শক্তি হৈছে মূলধনী ব্যয়ক অগ্ৰাধিকাৰ দিয়া। পথ, দলং, বিদ্যালয়, চিকিৎসালয়, ডিজিটেল আন্তঃগাঁথনি, উদ্যোগ আৰু নগৰ উন্নয়নত বৃহৎ বিনিয়োগে অসমক ভোগভিত্তিক অৰ্থনীতিৰ পৰা উৎপাদনমুখী অৰ্থনীতিৰ দিশে আগুৱাই নিয়াৰ চেষ্টা কৰিছে। ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং, বিমানবন্দৰ উন্নয়ন, Aerotropolis, MSME, ষ্টাৰ্টআপ আৰু কৃষিজাত মূল্য সংযোজনৰ দৰে পদক্ষেপে বিনিয়োগ আৰু কৰ্মসংস্থাপনৰ নতুন সম্ভাৱনা সৃষ্টি কৰিব পাৰে।

শিক্ষা আৰু মানৱ সম্পদ উন্নয়নকো এই বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে। ১৮,৮৬৯ কোটি টকাৰ শিক্ষা আৱণ্টন, বিদেশী ভাষা শিক্ষা, দক্ষতা বিকাশ, AVGC-XR, Spoken English আৰু উদ্যোগমুখী প্ৰশিক্ষণৰ দৰে পদক্ষেপে যুৱ সমাজক বিশ্বমানৰ প্ৰতিযোগিতাৰ ৭ পৃষ্ঠাত

## অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ গুৰু পূৰ্ণিমা উপলক্ষে ব্যাস দিৱস পালন

### পূণ্যভূমি ভাৰতবৰ্ষখনেই এক বিশ্বগুৰুৰ আসনত উপৱিষ্ট হৈ আছে ঃ মৃণালিনী দেৱী




**ৰমেন ভৰালী, বংশৰ ঃ** আমি প্ৰথমতে জানি ল'ব লাগিব যে আমাৰ পূণ্যভূমি ভাৰতবৰ্ষখনেই এক বিশ্বগুৰুৰ আসনত উপৱিষ্ট হৈ আছে। সেয়ে আমি কামনা কৰো যে আমাৰ দেশ ভাৰতবৰ্ষ যেন অনাদিকাললৈ আমাৰ জ্ঞানৰ গুৰু হৈ থাকক। অৰ্থাৎ জ্ঞানৰ পোহৰ বিলাই দিয়া এগৰাকী বিশ্বগুৰু হিচাপে ৭ পৃষ্ঠাত

## নাজিৰা, শিৱসাগৰ আৰু ডিমৌৰ বানাক্ৰান্ত অঞ্চল, সাহায্য আৰু স্বাস্থ্য শিৱিৰ পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংঘালে যোৱা ২৬ জুলাইত শিৱসাগৰ স্বাস্থ্য সাহায্য আৰু বান সাহায্য শিৱিৰ পৰিদৰ্শন কৰি আশ্ৰয় গ্ৰহণ কৰা বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। শিৱিৰত স্বাস্থ্য বিভাগে আগবঢ়াই থকা চিকিৎসা সেৱা, ঔষধ বিতৰণ, ৰোগ প্ৰতিৰোধমূলক ব্যৱস্থা আদি সম্পৰ্কে বিস্তৃত বুজ লয়। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ লক্ষ্মীনগৰ আৰু ডিমৌ সমষ্টিৰ বেতবাৰী-আলিমুৰস্থিত বান সাহায্য শিৱিৰ পৰিদৰ্শন কৰি বানপীড়িত পৰিয়ালসমূহৰ স্বাস্থ্যৰ বুজ লোৱা পৰিলক্ষিত হয়। শিৱিৰসমূহত চিকিৎসা দলসমূহে আগবঢ়াই থকা স্বাস্থ্যসেৱা, ঔষধৰ উপলব্ধতা, বিশুদ্ধ খোৱাপানী, অনাময় ব্যৱস্থা আৰু ৰোগ প্ৰতিৰোধমূলক ব্যৱস্থাসমূহৰ বিষয়ে খবৰ লোৱাৰ লগতে বানপীড়িত লোকসকলৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত মন্ত্ৰী সিংঘালে ডিমৌ আদৰ্শ চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন বিভাগ, বহিঃবিভাগ, উপলব্ধ স্বাস্থ্যসেৱা আৰু আন্তঃগাঁথনিৰ পৰ্যালোচনা কৰে। বহিঃবিভাগত উপস্থিত ৰোগী আৰু ৭ পৃষ্ঠাত

## ঐতিহাসিক জামুগুৰি সাৰ্ব্বজনীন গৰখীয়া থানত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱৰ সামৰণি



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিচেই সমীপৰ জামুগুৰিত অৱস্থিত প্ৰায় তিনিশৰো অধিক বছৰ পুৰণি সাৰ্ব্বজনীন গৰখীয়া ৭ পৃষ্ঠাত

# কৰবী লিগিৰাৰ গল্পসংকলন উকা কাগজৰ নাও উন্মোচন

## জামুগুৰিত কৰবীৰ চোতালত কবিতাৰ এপলক উদ্‌যাপন




**নগাঁও ঃ** ২৬ জুলাই তাৰিখে একাধাৰে গীতিকাৰ-কবি-প্ৰবন্ধকাৰ-শিশু সাহিত্যিক কৰবী লিগিৰাৰ সত্তৰতম ওপজা মাহ উপলক্ষে নগাঁও জিলাৰ জামুগুৰিস্থিত কৰবী লিগিৰা তথা মুনীন্দ্ৰ নাথৰ চোতালত নগাঁও জিলা কবি সন্মিলন, জামুগুৰি শাখা কবি সন্মিলন আৰু জামুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত কৰবীৰ চোতালত কবিতাৰ এপলক শীৰ্ষক কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰযুক্তি দেৱীৰ বৰগীত পৰিৱেশনেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণি ভাষণ আগবঢ়াই জামুগুৰি শাখা সাহিত্য সভাৰ সম্পাদক উৎপল বৰদলৈয়ে। ইয়াৰ পাছতেই অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই উন্মোচন কৰে কৰবী লিগিৰাৰ বিভিন্ন সময়ত কাকত-আলোচনী-পত্ৰিকাত প্ৰকাশ পোৱা গল্পসমূহৰ একত্ৰ সংকলন উকা কাগজৰ নাও। নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী, উপদেষ্টা ক্ৰমে কেশৱ বৰা, মোলান লস্কৰ, অশোক ৰাম ভট্টাচাৰ্য, গুণ কাকতী, মিনতি দেৱী কাকতি, এল প্ৰদীপ কুমাৰ সিংহ, ৰঙাজিঞা সদৰ শাখা কবি সন্মিলনৰ সভাপতি কিশোৰ দাস, জামুগুৰি শাখা সাহিত্য সভাৰ সভাপতি মিলন নাথ, কামপুৰ আঞ্চলিক কবি সন্মিলনৰ সভাপতি খৰ্গেশ্বৰ বৰা, সোণাইপৰীয়া শাখা কবি সন্মিলনৰ সভাপতি সঞ্জীৱ সাগৰ চৌধুৰীৰ উপস্থিতিত গ্ৰন্থ উন্মোচন কাৰ্যসূচীৰ শেষত জামুগুৰিৰ ভাগ্যলিপি নামতি দলে দিহানাম পৰিৱেশন কৰে। ড° কল্পিতা দেৱী আৰু সত্যপ্ৰভা দেৱীৰ গীতেৰে মুখৰিত অনুষ্ঠানটিক কবিতা পাঠেৰে সমৃদ্ধ কৰে কৰবী লিগিৰা, নগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক পৱন শৰ্মা, শশীন্দ্ৰ দেৱ মহন্ত, ৰাজেন বৰা, গোবিন চন্দ্ৰ নাথ, বকুল চন্দ্ৰ শৰ্মা, ৰীনা লস্কৰ, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, দীপক কুমাৰ নাথ, দিলীপ শইকীয়া, স্বভাৱ কবি নৰেন নাথ, হাচিনা মমতাজ, আশা বৰা মন, শকুন্তলা শইকীয়া, পুষ্পজ্যোতি নাথ, যুগান্তৰ নাথ, যুৱ কবি ৰূপম নাথ, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক দীপজ্যোতি কাকতি, নৰজ্যোতি বৰা, দীপক কুমাৰ নাথ, ডিম্বেশ্বৰ বৰা, অনুপজ্যোতি লাহন, হিৰণ কাকতি, বিমান মজুমদাৰ, কুমাৰ পদ্মনাভ, বিনয় দাস, ধন দাস প্ৰমুখ্যে প্ৰায় চাৰিকুৰি কবিয়ে। উল্লেখ্য যে কৰবী লিগিৰাৰ স্বামী মুনীন্দ্ৰ নাথ আৰু পুত্ৰ অম্লান প্ৰতিম হাজৰিকাৰ শলাগৰ শৰাইৰে সামৰণি পৰা অনুষ্ঠানটিৰ আঁত ধৰে মদাৰজ্যোতি আৰু প্ৰদ্যুম্ন বৰাই।

# আহোম জাতীয় মহাসভাৰ বান সাহায্য বিতৰণ



**চন্দন শৰ্মা, তেজপুৰ ঃ** ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সৃষ্টি হোৱা ভয়াবহ বান পৰিস্থিতিত আক্ৰান্ত হৈ পৰা দুৰ্গম অঞ্চলসমূহৰ বানবাসী ৰাইজৰ কাষত থিয় হোৱাৰ বাবে ‘আহোম জাতীয় মহাসভা’ই এক মানৱীয় তথা সামাজিক দায়বদ্ধতা মূলক সাহাৰ্য কাৰ্যসূচী গ্ৰহণ কৰিছে। বিকল্পহীন দুৰ্যোগৰ এই সময়ছোৱাত কেন্দ্ৰীয় সমিতিৰ সভাপতি সুন্দৰ জ্যোতি লাহনৰ নেতৃত্বত এটা বিশাল স্বেচ্ছাসেৱক বাহিনীয়ে বানাক্ৰান্ত অঞ্চলৰ দুৰ্ভগীয়া ৰাইজৰ কাষত উপস্থিত হয়। কেন্দ্ৰীয় সমিতিয়ে নিজৰ সাধ্যানুসায়ী প্ৰচেষ্টাৰে বানপীড়িত জনসাধাৰণক কিছু সকাহ দিয়াৰ উদ্দেশ্যে খোৱাপানী ৫৫০০ বটল, ফেনাইল, ব্লিচিং পাউদাৰ, গা ধোৱা আৰু কাপোৰ ধোৱা চাবোন, মহখেদা ধূপ, চাউল, দাইল, আলু, মহিলাৰ ব্যৱহাৰৰ বাবে ছেনিটেৰী পেড, বিস্কুটৰ টোপোলা আদি বহুতো নিত্য প্ৰয়োজনীয় সাহায্য সামগ্ৰী বিতৰণ কৰে। লগতে বানাক্ৰান্ত ৰাইজৰ দুখ-দুৰ্দশাৰ সমভাগী হৈ তেওঁলোকক এই দুৰ্যোগৰ সময়ত নৈতিক সাহস প্ৰদান কৰে। এই কাৰ্যসূচীত বহু কেইজন ব্যক্তিৰ আৰ্থিক সহায়ৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। বানাক্ৰান্তসকলৰ মাজত এই সকাহৰ সামগ্ৰী বিতৰণ আৰু সাহায্য শিবিৰ পৰিচালনাৰ এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীত বিভিন্ন ঠাইৰ পৰা আগবাঢ়ি আহি সক্ৰিয় সহযোগিতা আগবঢ়োৱা প্ৰতিজন স্বাভিমানী ব্যক্তি, দল-সংগঠন তথা শুভানুধ্যায়ীক আহোম জাতীয় মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে। সমাজৰ এই দুৰ্যোগৰ ক্ষণত সকলো শ্ৰেণীৰ লোকক একত্ৰিত হৈ বানাক্ৰান্তৰ সেৱাত ব্ৰতী হ’বলৈ কেন্দ্ৰীয় সমিতিয়ে বিনম্ৰ আহ্বান জনাইছে। বিষয়ববীয়াসকল ক্ৰমে পৱিত্ৰ শইকীয়া, মৌপ্ৰিয়া লাহন, ভাস্কৰ বৰা, ভাগ্য লাহন, প্ৰিয়ম দাস, চিত্ৰ বৰুৱা, সাংবাদিক উত্তম নাথ, বিনিত হাজৰিকা, মিৰাংগ বৰা আৰু দেবানন্দ ফুকন।

# দদৰা সাংস্কৃতিক মঞ্চৰ উদ্যোগত পাঁচদিনীয়া কলা কৰ্মশালা আৰু কলা মহোৎসৱৰতৰ সামৰণি অনুষ্ঠানত

## সংগীত শিল্পী জে পি দাসলৈ জীৱন জোৰা সাধনা বঁটা



**ৰমেন ভৰালী, বৰশৰ ঃ** দদৰা সাংস্কৃতিক মঞ্চৰ উদ্যোগত ২২ জুলাইৰ পৰা ২৬ জুলাইলৈ দদৰা ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত পাঁচদিনীয়া কলা কৰ্মশালা আৰু কলা মহোৎসৱৰতৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে বৰ্ষীয়ান সংগীত পুৰোধা জ্যোতিপ্ৰকাশ দাস (দে পি দাস)। তেখেতৰ ভব্য উপস্থিতিত তিনি শতাধিক অনুৰাগী শিশু আৰু অভিভাৱকৰ উপস্থিতিত উদ্যোক্তা সমিতিয়ে সাংস্কৃতিক মঞ্চতে কেক কাটি তেখেতৰ আশী বছৰীয়া ওপজা দিন পালন কৰে। সেই মঞ্চতেই তেখেতলৈ আজীৱন অসমীয়া সংগীতৰ সাধনা কৰাৰ স্বীকৃতি স্বৰূপে বিশিষ্ট সাহিত্যিক ৰমেন ভৰালীৰ সমন্বিতে প্ৰায় পঞ্চাশৰোধিক সুধীবৃন্দৰ ভব্য উপস্থিতিত জীৱনজোৰা সাধনাৰ স্বীকৃতি আগবঢ়োৱা হয়। এই স্বীকৃতি স্বৰূপে অসমীয়াৰ স্বাভিমান এখন গামোচা, এটা ফুলাম জাপি, এখন শৰাই, এখন মানপত্ৰ, আৰু এটি স্মাৰক আৰু নগদ পাঁচ হাজাৰ টকা। উল্লেখ্য যে, প্ৰথমদিনা কৃতী শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই আঁতধৰা দদৰা সাংস্কৃতিক মঞ্চই এইবাৰ আয়োজন কলা কৰ্মশালা আৰু কলামহোৎসৱত অংশগ্ৰহণ কৰা দুই শতাধিক ছাত্ৰ-ছাত্ৰীক সংগীতৰ প্ৰশিক্ষণ দিছিল শিল্পী জেপি দাসৰ সমন্বিতে মৃণালকান্তি মেধি, কল্লোল বৰঠাকুৰ, বিমান বৰুৱা, শৈলেন গগৈ, মৌচম বৰা আৰু মুনদ্বীপ দাসে। ইয়াৰোপৰি প্ৰায় তিনিশতাধিক শিশু তথা চেমনীয়াৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, চিত্ৰ-প্ৰদৰ্শনী প্ৰতিযোগিতা, জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ উপৰিও ষাঠি গৰাকীতকৈ অধিক বিশিষ্ট কবিৰ কবিতা পাঠৰ অনুষ্ঠান এটিও অনুষ্ঠিত হয়। জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতাৰ বিচাৰকৰূপে উপস্থিত থাকে মৃণালকান্তি মেধি, মৌচম বৰা আৰু ডলী বৈশ্য। চিত্ৰাংকন প্ৰতিযোগিতাৰ পৰিচালক নুৰতাজ বেগম, চন্দ্ৰধৰ কলিতা, গকুল মেধি। বিচাৰক হিচাপে উপস্থিত থাকে প্ৰদীপ ঠাকুৰীয়া আৰু কবিন শৰ্মা। চিত্ৰপ্ৰদৰ্শনীৰ পৰিচালক ৰাজীৱ দাস আৰু বিচাৰক ৰিংকু চক্ৰৱৰ্তী। এই কলা মহোৎসৱটিৰ লগত সংগতি ৰাখি বিশিষ্ট শিল্পী জে পি দাসে উন্মোচন কৰে দুখনকৈ কাব্যিক গ্ৰন্থ ক্ৰমে ভাস্কৰ জ্যোতি দাসৰ ‘যৌৱনৰ ছন্দ’ আৰু সনাতন বৈশ্যৰ ‘আৰেগৰ গান-৩’। তাৰ পিছতে শিশু শিল্পী আনিস্কা শৰ্মাৰ ‘ৰঙিলী পখিলী’ গীত উন্মোচন কৰে শিল্পী গৰাকীয়ে। পাঁচ দিনীয়াকৈ আয়োজন কৰা অনুষ্ঠানত ভাস্কৰ জ্যোতি দাসৰ আন এখন চুটি ছবি ‘কুকুৰ’ মুকলি কৰে এম্ৰ্টণৰ উপাধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী দীনমনি ভাগুৱ কায়স্থই। অন্তিম দিনৰ কাৰ্যসূচীত উপস্থিত থাকে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, হাড়গিলা বাইদেউ খ্যাত পূৰ্ণিমা দেৱী বৰ্মনৰ লগতে বহু বিশিষ্ট ব্যক্তি। সন্ধিয়ালৈ অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত মুনদ্বীপ দাস, কুলদ্বীপ দাস, ইমন চৌধুৰীৰ লগতে দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জিচু জানক্য গগৈ তথা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ উচ্চ পদস্থ স্বাস্থ্য বিষয়া ডাঃ প্ৰভাকৰ দাসে গীত পৰিৱেশন কৰে। নিশা দহ বজাত সফল পৰিসমাপ্তিত সন্তোষ প্ৰকাশ কৰে অনুষ্ঠানটিৰ সভাপতি কুশল দাস, কাৰ্যকৰী সভাপতি মানিক দাস আৰু উপ-সভাপতি চন্দ্ৰধৰ দাস আৰু মুখ্য সম্পাদক ভাস্কৰ জ্যোতি দাসে।

# পিএমশ্ৰী বাঁহবাৰী হাইস্কুলত বিএছইউ আৰু যুৱ বিপিএফৰ গ্ৰীষ্মকালীন পাঠদানৰ সফল সামৰণী




**খাৰিজা বিজনী, জাহিদুল ইছলাম ঃ** গৰমৰ বন্ধৰ সময়খিনিত ছাত্ৰ-ছাত্ৰীসকলে যাতে সময় অপচয় নকৰি শিক্ষাৰ দিশত আগবাঢ়ি যাব পাৰে, সেই উদ্দেশ্যে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ আহ্বানক্ৰমে সমগ্ৰ বিটিচিৰ লগতে শালবাৰীত আয়োজন কৰা বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচীৰ সফল সামৰণী পৰে। শালবাৰীস্থিত পিএমশ্ৰী বাঁহবাৰী হাইস্কুল প্ৰাংগণত শালবাৰী জিলা বড়োলেণ্ড ছাত্ৰ সন্থা (BSU) আৰু যুৱ বিপিএফৰ যৌথ উদ্যোগত অনুষ্ঠিত এই গ্ৰীষ্মকালীন পাঠদানৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ২১ নং শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত গয়াৰী। ভাষণ প্ৰসংগত পাৰিষদগৰাকীয়ে এনে গুণাত্মক পদক্ষেপৰ প্ৰশংসা কৰাৰ লগতে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ উজ্বল ভৱিষ্যত কামনা কৰে। অনুষ্ঠানত যুৱ বিপিএফৰ কেন্দ্ৰীয় সভাপতি ৰিঞ্জয় বড়ো বিশেষভাৱে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গঠনমূলক আৰু মূল্যবান বক্তব্য আগবঢ়ায়। তেওঁ শিক্ষাৰ গুৰুত্ব আৰু ছাত্ৰ সমাজৰ দায়িত্বৰ বিষয়ে আলোকপাত কৰে। বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই সামৰণী সভাত স্থানীয় বিপিএফ আৰু বিএছইউৰ কেইবাগৰাকীও দলীয় কৰ্মকৰ্তা, শিক্ষক-শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ তথা বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। গৰমৰ বন্ধৰ সময়ছোৱাত আয়োজন কৰা এই শিক্ষা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট উপকাৰ সাধন কৰা বুলি অভিভাৱকসকলে সন্তোষ প্ৰকাশ কৰিছে।

# অভিনৱ চিন্তাৰে সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা নিবেদি ব্যতিক্ৰমী গীত 'শাৰদী নেকি নাম'



**জয়ন্ত মুদৈ, নগাঁও ঃ** অতীজৰে পৰা সাংস্কৃতিক ক্ষেত্ৰখনত সংগীতে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। সেয়ে সংগীত ক্ষেত্ৰত নিতৌ ন ন গীত সংযোজনেৰে সংগীতপ্ৰেমীক মনোৰঞ্জনৰ খোৰাক যোগাই আহিছে সংগীত শিল্পীসকলে। ইয়াৰ মাজতে শেহতীয়াভাৱে অসমীয়া সংগীত জগতত নতুনকৈ সংযোজন ঘটিছে এটি ব্যতিক্ৰমী স্বাদৰ গীতৰ। আচলতে, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বৰেণ্য শিল্পীজনাৰ ৰোমাণ্টিক গীত সমূহৰ শব্দসুধাৰ আধাৰত এটি গীতেৰে মহান শিল্পীজনাক শ্ৰদ্ধা জনোৱাৰ নিমিত্তে নগাঁৱৰ প্ৰতিভাৱান সংগীত শিল্পী নয়নজ্যোতি শইকীয়াই অভিনৱ চিন্তাৰে সৃষ্টি কৰিছে এটি নতুন গীত। বিশিষ্ট কণ্ঠশিল্পী ৰূপম ভূঞাই কণ্ঠ নিগৰুৱা তথা নয়জ্যোতি শইকীয়াৰ কথা, সুৰ আৰু অৰূপ দত্তই সংগীতেৰে সজোৱা 'শাৰদী নেকি নাম' শীৰ্ষক নৱতম এই গীতটি বৃহস্পতিবাৰে সন্ধিয়া আনুষ্ঠানিকভাৱে সংগীতপ্ৰেমী ৰাইজলৈ আগবঢ়াই দিয়া হয়। এই উপলক্ষে নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ শেতালীৰ নয়নজ্যোতি শইকীয়াৰ বাসগৃহৰ চোতালত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আনুষ্ঠানিকভাৱে এই গীতটি শুভ মুক্তি দিয়া হয়। তদনুযায়ী সমাজ সংগঠক লক্ষ্যধৰ মেধীয়ে আঁত ধৰা উন্মোচনী অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে বিশিষ্ট সংগীত শিল্পী ৰঞ্জন বেজবৰুৱাই। অনুষ্ঠানত গীতটিত কণ্ঠদান কৰা বিশিষ্ট কণ্ঠশিল্পী ৰূপম ভূঞা, প্ৰবীণ শিল্পী গম্ভীৰ নাথ, বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰা, উপাধ্যক্ষ ৰঞ্জন হাজৰিকা, সুলেখক তথা গ্ৰন্থ প্ৰকাশক প্ৰাঞ্জল মহন্ত, সমাজকৰ্মী নৱাম শইকীয়া, অৱসৰী শিক্ষয়িত্ৰী লাবন্য বৰা, লাচিত সেনাৰ নেতা ৰূপজ্যোতি শইকীয়া, কবি সঞ্জীৱ সাগৰ চৌধুৰী, অনাতাঁৰ শিল্পী দেৱকান্ত শইকীয়া, অৱসৰী শিক্ষক যুগেশ্বৰ বৰদলৈ, শিল্পী পংকজ নাথ, পংকজ মুদৈ, বাবুল বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, দেৱজিৎ হাজৰিকাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে শতাধিক সংগীতানুৰাগী উপস্থিত থাকে। অনুষ্ঠানত ধৃতিপ্ৰজ্ঞা মেধী আৰু নম্যা নন্দিনীয়ে নৃত্যৰ লগতে স্বস্তিকা বৰা, পংকজ ডেকা, বৰেণ্যা বৰা, কমল ডেকা আদিয়ে গীত পৰিৱেশনেৰে উপস্থিত সকলোকে মুগ্ধ কৰিবলৈ সময় সক্ষম হয়। উক্ত অনুষ্ঠানতে আমাৰ মাজৰ পৰা অকালতে মহাপ্ৰয়াণ ঘটা অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদি নয়নজ্যোতি শইকীয়াৰ কথা আৰু সুৰেৰে সজোৱা তথা প্ৰতিভাৱান কণ্ঠশিল্পী কুমাৰ কিশোৰে কণ্ঠ দিয়া 'এই মাটিয়ে বিচাৰে তোমাক' আৰু 'কোনে কয় তুমি নাই' শীৰ্ষ গীত দুটিও শুভ মুক্তি দিয়া হয়। গীত উন্মোচনী অনুষ্ঠানৰ পূৰ্বে প্ৰয়াত সমাজকৰ্মী ঋষেশ্বৰ শইকীয়াৰ লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়।

# বাঁহবাৰীটিং গাঁৱত কৃতী শিক্ষাৰ্থীৰ অভিনন্দন সভা সম্পন্ন



**প্ৰাণ প্ৰতিমা বড়া ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক কালুগাঁও অঞ্চলৰ অন্তৰ্গত বাঁহবাৰীটিং গাঁৱত যোৱা ১৯ জুলাইত এখনি অভিনন্দন সভা সম্পন্ন হয়। গাঁওখনৰ বিশিষ্ট সমাজপ্ৰাণ ব্যক্তি তথা অৱসৰপ্ৰাপ্ত শিক্ষক দম্পত্তি খগেন্দ্ৰনাথ বড়া আৰু কুসুম বড়াৰ মহান উদ্যোগত আৰু তেখেতসকলৰ নিজা গৃহত অনুষ্ঠিত সভাখনিত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক তথা লেখক তৰুণ চন্দ্ৰ নাথে। গাঁওখনৰ চাৰিজন উদীয়মান শিল্পী ক্ৰমে অংশুমান দত্ত, অভিজ্ঞান দত্ত, অভিনৱ দত্ত আৰু জ্যোতিৰাজ দত্তই অপূৰ্ব সুৰ-সমলয়েৰে শুভাৰম্ভ কৰা মনোজ্ঞ সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কুসূম বড়াই। সভাখনিত গৌৰীসাগৰ ব্লকৰ সভাপতি গুণৱতী গগৈ, নদী সামাজিক আৰু সাংস্কৃতিক গোষ্ঠীৰ সঞ্চালক মৌচুমী সন্দিকৈ, বৰুৱাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জন দত্ত, যুৱ-সমাজকৰ্মী পলাশ মোহন বৰুৱা আৰু আদৰ্শ শিক্ষয়িত্ৰী তথা শলগুৰি মুকুল সাহিত্য সভাৰ সম্পাদক মেঘালী গগৈ কলিতাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থী আৰু সমবেত সুধী সমাজক উদ্দেশ্যধৰ্মী সাৰগৰ্ভ বক্তব্যৰে উপকৃত কৰে। তদুপৰি অৱসৰপ্ৰাপ্ত বৰ্ষীয়ান শিক্ষাগুৰু খগেন্দ্ৰনাথ বড়া, বিশিষ্ট সমাজকৰ্মী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পংকজ কুমাৰ দাস, কবি তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা প্ৰাণ প্ৰতিমা বড়া আৰু জ্যোতিষী দত্তৰ প্ৰাণস্পৰ্শী বক্তব্যই আটাইকে একপ্ৰকাৰ আৱেগিক কৰি তোলে। কবি-সমাজকৰ্মী সাগৰ বৰঠাকুৰ, যুৱ সমাজকৰ্মী প্ৰাণ প্ৰতিম বড়াৰ উপৰি অঞ্চলটিৰ ভালেসংখ্যক গুণী-জ্ঞানী ব্যক্তি আৰু শিক্ষাৰ্থীৰ উপস্থিতিয়ে সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনিত অংকিতা দত্তই এটি বৰগীত, আৰাধ্যা দত্তই এটি সৃষ্টিশীল নৃত্য পৰিৱেশন কৰাৰ লগতে নিয়ৰকণা দাস, মুনমুণি দত্ত, আদিত্ৰী বড়া, ভাগ্যশ্ৰী দত্ত আৰু মৌচুমী সন্দিকৈয়ে এটিকৈ কালজয়ী গীত পৰিৱেশন কৰে। কবি-আবৃত্তিকাৰ প্ৰাণ প্ৰতিমা বড়াৰ কবিতা আবৃত্তি আৰু কৌশিক দত্তৰ ভাওনাৰ সংলাপ নিক্ষেপন আছিল সভাৰ অন্যতম আকৰ্ষণ। আদৰ্শ শিক্ষক গোপাল দত্তই সূত্ৰ ধৰা অভিনন্দন অনুষ্ঠানটিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী ক্ৰমে সংযুক্তা দত্ত, গৰিমা দত্ত, পূজা বৰা, অংকিতা বৰা আৰু ময়ূৰী দত্তক মানপত্ৰ, গামোছা আৰু গ্ৰন্থৰ টোপোলাৰে অভিনন্দন জ্ঞাপন কৰা হয়। তদুপৰি সভাৰ আৰম্ভণিতেই আমন্ত্ৰিত অতিথিবৃন্দ আৰু শিল্পীবৃন্দক চেলেং, গামোছা আৰু গ্ৰন্থৰ টোপোলাৰে আদৰণি জনোৱা হয়। কৃতী শিক্ষাৰ্থীসকলে অভিনন্দন গ্ৰহণ কৰি অতি সাৱলীলভাৱে নিজা নিজ অনুভৱ ব্যক্ত কৰা সৰ্বাঙ্গসুন্দৰ সভাখনি সন্ধিয়া পৰত অসম সংগীত পৰিৱেশনৰে সফল সামৰণি মৰা হয়।

# বামুন্দীত দুই কণমানিৰ মহানুভৱতা



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসমৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত বানপানীয়ে কালৰূপ ধাৰণ কৰিছে। কেইবাজনো লোক মৃত্যু মুখত পৰিছে। বহুতো লোক গৃহহীন হৈছে দিশহাৰা হৈছে নোখোৱা নোলোৱাকৈ লোঘোণে দিন কটাইছে এনেকুৱা পৰিস্থিতিত অসমৰ বেছিভাগ মানুহেই চৰকাৰলৈ বৈ নাথাকি বানপীড়িত লোক সকলক সহায়ৰ কাৰণে আগবাঢ়ি আহিছে। চৰাইদেউ জিলাত বামুন্দীৰ এজন ব্যক্তি স্বাস্থ্য বিভাগৰ এম পি ডব্লিউৰ কৰ্মচাৰী যতীন্দ্ৰ কলিতাই বানপানীত আৱদ্ধ হৈ থাকি বানপীড়িত লোকসকলৰ অৱস্থাৰ কথা নিজৰ দুটি পুত্ৰ আৰু কন্যা ক্ৰমে ক্ৰীসৱ কাশ্যপ আৰু মান্যতা কাশ্যপৰ আগত টেলিফোনতে বিৱৰণ দি আহিছিল। বামুন্দী ভকতপাৰাৰ এই কণমাণি দুজনীয়ে বানপীড়িত লোকসকলৰ দুৰৱস্থাৰ কথা শুনি নিজ হাতেৰে এটি বাকচ বনাই বাকচটোত মানুহে মানুহৰ বাবে লিখি বানপীড়িত লোকসকলৰ কাৰণে সাহাৰ্য বিচাৰি ওলাই যায়। দৃশ্যটোত বহুতো লোকে 'ৰ' লাগি চাই থাকে যদিও বহুতো লোকে দান পাত্ৰ বাকচটোত বানপীড়িত লোক সকলৰ কাৰণে সাহাৰ্য প্ৰদান কৰে। সাহাৰ্য পোৱা টকাখিনি দেউতাকলৈ পঠিয়াই দি বানপীড়িত লোকসকলক সহায় কৰিবলৈ অনুৰোধ জনায়। কথাখিনি যদিও সৰু যেন লাগিছে বামুন্দীৰ ৰাইজে কণমানি দুটাৰ এনেকুৱা মহানুভৱতাৰ শলাগ লৈ বহুতো মানুহক কণমাণি দুটাই শিক্ষা প্ৰদান কৰিছে বুলি কয় আৰু কণমাণি দুজনীৰ লগতে পিতৃ যতীন্দ্ৰ কলিতা আৰু মাতৃ মল্লিকা নাথক শলাগ লৈ কণমাণি দুটাৰ উজ্বল ভৱিষ্যত কামনা কৰে।

# শিৱসাগৰ জিলাত সেৱা আগবঢ়াইছে চৰকাৰে গোলাঘাটৰ পৰা প্ৰেৰণ কৰা দুটাকৈ ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটে

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাবাসী ৰাইজৰ সেৱাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে গোলাঘাটৰ পৰা প্ৰেৰণ কৰে দুটাকৈ ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোট। প্লাৱিত শিৱসাগৰ জিলাত এই ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটে বানাক্ৰান্ত অঞ্চলসমূহত স্বাস্থ্য সেৱা আগবঢ়াই আছে। উল্লেখ্য যে, জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে অৱগত কৰা অনুসৰি, দুখন ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটৰ চিকিৎসক, বিষয়া আৰু কৰ্মচাৰীৰ ঘৰো বানৰ কবলত থকাৰ কাৰণে তেওঁলোকে উপায়হীন হৈ ৰাইজৰ বাবে সেৱা আগবঢ়াব পৰা নাই যদিও যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতাৰ তৎপৰতাত আটাইকেইখন ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটে ৰাইজৰ বাবে সেৱা আগবঢ়াব পাৰিছে। যোৱা ২৩ জুলাই আৰু ২৪ জুলাই তাৰিখে শিৱসাগৰ জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহত মুঠ ৬ টা মোবাইল মেডিকেল ইউনিটে বানাক্ৰান্তলোকৰ বাবে চিকিৎসা শিৱিৰ অনুষ্ঠিত কৰি অক্লান্ত সেৱা অব্যাহত ৰাখিছে। জানিব পৰা মতে খেলুৱাৰ বান প্লাৱিত অঞ্চল, চন্টক, বিহুবৰ, মেকিপুৰ, বেতবাৰী, দিচাং, শুকানপুখুৰী হাইস্কুল, পোনজান চাৰিআলি, দেউলীয়াখাট, বিষ্ণু নগৰ আৰু ৰাজীৱ গান্ধী প্ৰযুক্তি প্ৰতিষ্ঠানত গোটে ইতিমধ্যে চিকিৎসা সেৱা আগবঢ়াইছে। এই ৬ টা এমএমইউৰ ভিতৰত দুটা এমএমইউ গোলাঘাটৰ পৰা প্ৰেৰণ কৰিছিল। আনহাতে বিভিন্ন সহায়ৰ বাবে জিলা গণমাধ্যম বিশেষজ্ঞ ও ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটৰ লগত যোগাযোগ কৰিবলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান-শিৱসাগৰে আহ্বান জনাইছে।

# গড়মূৰত শিশুৰ শুৱলা কণ্ঠ ৪.০ সম্পন্ন




**ফুলগুৰি ঃ** ৰহা সমজিলাৰ ফুলগুৰিৰ গড়মূৰ গাঁৱত গড়মূৰ যুৱ সংঘৰ উদ্যোগত আৰু অঞ্চলৰ ৰাইজৰ সহযোগত গড়মূৰ বৰনামঘৰ প্ৰাঙ্গণত বিশিষ্ট সাহিত্য সংগঠক তপন কুমাৰ হাজৰিকাৰ সোঁৱৰণত শিশুসকলৰ গ্ৰীষ্মকালীন শিৱিৰ শিশুৰ শুৱলা কণ্ঠ ৪.০ যোৱা ২৬ জুলাই তাৰিখে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত তপন কুমাৰ হাজৰিকা, জুবিন গাৰ্গ আৰু ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে গোপী শইকীয়া, বিপুল চন্দ্ৰ কলিতা, ৰেৱকান্ত হাজৰিকা, কুমুদ মেধি, তিলক বৰা, কবিন শইকীয়া, হেম শইকীয়া, জীৱন শইকীয়া আৰু জিনু বৰাই। অত্ৰেয়া জোনাক শইকীয়াৰ গুৰুবন্দনাৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিৰ পাছতেই আৰম্ভ হোৱা আবৃত্তি, চিত্ৰাংকন, অভিনয় আৰু নৃত্যৰ প্ৰশিক্ষণত প্ৰশিক্ষকৰূপে উপস্থিত থাকে কুমুদ মেধি, জিনু বৰা আৰু প্ৰিয়ম কলিতা। ইয়াৰ পাছতেই জিনু বৰাৰ ৰচনা তথা সম্প্ৰীতি শইকীয়া আৰু প্ৰিয়ম কলিতাৰ পৰিচালনাত গীতি নৃত্যনাটিকা ফুলগুৰি ধেৱা মঞ্চস্থ কৰে অঞ্চলৰ বাচকবনীয়া শিশু-শিল্পীসকলে। প্ৰায় আঠৈকুৰি শিশুৱে অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ সামগ্ৰিকভাৱে আঁত ধৰে সু-আবৃত্তিকাৰ তথা যুৱ-কবি সুনয়ন শইকীয়াই।

# হোজাই জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে খাদিজা আখতাৰে

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত সোণৰ পদক অৰ্জন



**মুকুল গোস্বামী, লংকা ঃ** হোজাই জিলাৰ নিলবাগানস্থিত হাজি আজমল আলী কলেজৰ বাবে গৌৰৱ উজ্বল মুহূৰ্ত কঢ়িয়াই আনিলে খাদিজা আখতাৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এইবাৰৰ স্নাতক পৰীক্ষাৰ ফলাফলত প্ৰথম স্থান লাভ কৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইংৰাজী মেজৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ ২৭২খন কলেজৰ ভিতৰত শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হয় হাজি আজমল আলী কলেজৰ ইংৰাজী বিভাগৰ ছাত্ৰী খাদিজা আখতাৰে। হাজি আজমল আলী কলেজৰ এই ছাত্ৰীগৰাকীৰ সফলতাই পৰিয়ালৰ লগতে বিদ্যালয় আৰু হোজাই জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। নীলবাগানৰ এক অত্যন্ত দৰিদ্ৰ পৰিয়ালৰ সন্তান খাদিজাই অতি কম বয়সতে হেৰুৱাইছিল নিজৰ পিতৃক। পিতৃৰ ছত্ৰছায়াবিহীন জীৱনটোত কেৱলমাত্ৰ মাতৃৰ অপৰিসীম ত্যাগ, কষ্ট আৰু আশীৰ্বাদকে সম্বল কৰি খাদিজাই আগবঢ়াই নিছিল নিজৰ পঢ়া-শুনা। আৰ্থিক নাটনিৰ বাবে বহু সময়ত থমকি ৰ'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছিল যদিও, নিজৰ লক্ষ্য আৰু ইচ্ছাশক্তি সম্বল হিচাপে কঠোৰ অধ্যৱসায় দিন-ৰাতি একাকাৰ কৰি কৰা পৰিশ্ৰমৰ ফলস্বৰূপে প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। খাদিজাৰ এই অভূতপূৰ্ব সফলতাৰ খবৰ পোৱাৰ লগে লগেই নীলবাগানস্থিত তেওঁৰ বাসগৃহত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিভিন্ন দল-সংগঠন, স্থানীয় ৰাইজ তথা শুভাকাংক্ষীসকলে খাদিজাৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন জ্ঞাপন কৰে। বিদ্যালয়খনৰ শিক্ষকসকলেও। ইফালে এই বাতৰি পোৱা লগে লগে বিনাকান্দী সমষ্টিৰ বিধায়ক মৌলানা বদৰুদ্দিন আজমলৰ নিৰ্দেশনা মৰ্মে আজমল ফাউণ্ডেচনৰ সঞ্চালক ড° খচৰুল ইছলামৰ নেতৃত্বত এটা সঁজাতি দলে নীলবাগনৰ হাজী আজমল আলী কলেজত উপস্থিত হৈ কলেজৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকলক অভিনন্দন জ্ঞাপন কৰি মত বিনিময় কৰাৰ লগতে সকলোকে সম্বৰ্ধনা জনায়। ইয়াৰ পিছত আজমল ফাউণ্ডেচনৰ দলটো খাদিজা আখতাৰৰ বাসগৃহত উপস্থিত হৈ কৃতী ছাত্ৰীগৰাকীক অসমীয়া গামোচা, জাপি আৰু শৰাইৰে সম্বৰ্ধনা জনোৱা লগতে তেওঁৰ পৰিয়ালৰ লোককো সম্বৰ্ধনা জ্ঞাপন কৰে। সঞ্চালক ড° খচৰুল ইছলামে ছাত্ৰীগৰাকীৰ লগতে পৰিয়ালৰ লোকলৈ মৌলানা বদৰুদ্দিন আজমলে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন বাৰ্তা প্ৰেৰণ কৰা কথা প্ৰকাশ কৰে আৰু কৃতী ছাত্ৰী খাদিজা আখতাৰৰ উচ্চ শিক্ষা গ্ৰহণ বাবে প্ৰয়োজনীয় সম্পুৰ্ণ খৰছ বহন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইফালে খাদিজা আখতাৰৰ এই ঐতিহাসিক সাফল্যক লৈ কলেজৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলো উৎফুল্লিত হৈ আনন্দ প্ৰকাশ কৰিছে। কলেজৰ অধ্যক্ষ ড° মুকতাৰ ৰহমান শইকীয়া আৰু পৰিচালনা সমিতিয়ে এই সফলতাৰ মূলতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিষ্ঠা, কৰ্মচাৰীসকলৰ সহযোগিতা আৰু শিক্ষাৰ্থীসকলৰ একাগ্ৰতা আৰু মনোযোগৰ সমূহীয়া প্ৰচেষ্টাৰ ফলত সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা বুলি কয়। সকলোৰেই সমুহীয়া সহযোগিতা থাকিলে নিশ্চয় ভৱিষ্যতত অধিক সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ম বুলি জানিব দিয়ে। কৃতী ছাত্ৰী খাদিজা আখতাৰে ভৱিষ্যত এগৰাকী ভাল অধ্যাপিকা হোৱাৰ আগ্ৰহ প্ৰকাশ কৰিছে।

# কলংপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰবন্ধ লিখাৰ কৌশল শীৰ্ষক কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ কলংপৰীয়া শাখা সাহিত্য সভাৰ অন্তৰ্গত সাঁকো আলোচনা-চক্ৰৰ উদ্যোগত যোৱা ২৫ জুলাইত প্ৰবন্ধ লিখাৰ কৌশল শীৰ্ষক এখনি কৰ্মশালা অনুষ্ঠিত হয়। চকৰি গাঁও মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হোৱা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা আৰু বঢ়মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নয়ন জ্যোতি নেওগ। কৰ্মশালাত জিলা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা আৰু নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক কুমুদ চন্দ্ৰ বৰা। জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা, সহঃসম্পাদক প্ৰিয়ঙ্কু শৰ্মা, সাঁকো আলোচনা-চক্ৰৰ সভানেত্ৰী ৰিণ্টু দাস আৰু অন্যান্য বিষয়ববীয়াসকলৰ লগতে কমলাকান্ত বৰা, থুলেশ্বৰ বৰা, অজিত কুমাৰ শৰ্মা, শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰা, শাখাৰ যুটীয়া সম্পাদক জয়ন্ত বৰা, মহেন্দ্ৰ শৰ্মা, মিত্ৰ কমল বৰা, ৰমেশ চন্দ্ৰ ভৰালী, প্ৰতিভা ভাগৱতী, ৰঞ্জিত কুমাৰ শৰ্মা, পুনিৰাম শইকীয়া, পুতুল শৰ্মা, খগেন্দ্ৰ নাথ, মাধৱী দাস, ৰূবী বৰা, দিপিকা বৰা, জোনালী শইকীয়া, মিনতি বৰা, কিশোৰ দাস, বৈজয়ন্তী খাউণ্ড, তুলু হাজৰিকা, কোযেশ্বৰ বৰা, বিপুল কুমাৰ বৰা, কিৰণ কুমাৰ নেওগ, গুণকান্ত বৰা, দুলাল চন্দ্ৰ শৰ্মা, দেৱাশীষ বশিষ্ঠ, দিলিপ শইকীয়া, জেউতি হাজৰিকা, ময়ুৰ কুমাৰ বৰা, ৰূপক শইকীয়া, দিপালী ৰাজখোৱা, জোনালী দাস বড়ো, গীতিমা হাজৰিকা বৰা, শেৱালি বৰুৱা, দীপালী দেৱী, মিতালী কলিতা, প্ৰাঞ্জল শৰ্মা, দীপা মনি শইকীয়া, কমল শইকীয়া, বিজয়া তামুলী প্ৰমুখ্যে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। প্ৰমাণ-পত্ৰ বিতৰণ অনুষ্ঠানত প্ৰায় শতাধিক লোক উপস্থিত থকা উক্ত কৰ্মশালাত কেইবাটাও সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। নৰমল্লিকা কাশ্যপ আৰু চিন্ময়ী শৰ্মাই গীত পৰিৱেশন কৰে। কৰ্মশালাখনিত জিলাৰ বিভিন্ন স্থানৰ ৬৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত লিখিকা অমিয়া গোস্বামীৰ 'পাচতি' নামৰ এখন নাট উন্মোচন কৰে কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। অনুষ্ঠানটি পৰিচালনা কৰে সাঁকো আলোচনা চক্ৰৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে।

# পূৱ গোৱৰ্ধনা উন্নয়ণ সমিতিৰ উদ্যোগত তিনিদিনীয়া মহিলা ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ

## ইএম বেগম আখতাৰা আহমেদে কৰিলে আনুষ্ঠানিক উদ্বোধন



**খাৰিজা বিজনী, জাহিদুল ইছলাম ঃ** বিটিচি অঞ্চলত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু ক্ৰীড়া সংস্কৃতি শক্তিশালী কৰাৰ লক্ষ্যৰে পূৱ গোৱৰ্ধনা উন্নয়ণ সমিতিৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে মহিলা ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিটিচি চৰকাৰৰ কাৰ্যবাহী সদস্যা বেগম আখতাৰা আহমেদ মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখনৰ আনুষ্ঠানিক দ্বাৰ উন্মোচন কৰে। উদ্বোধনী অনুষ্ঠানত স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজ, বিপিএফৰ বিষয়ববীয়া, সমাজকৰ্মী, খেলুৱৈ আৰু বহু সংখ্যক দৰ্শকৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে। ইএম বেগম আখতাৰা আহমেদে খেলুৱৈসকলৰ সৈতে পৰিচয় বিনিময় কৰাৰ লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিটো দলক শুভেচ্ছা জনায়। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে, মহিলা ক্ৰীড়াৰ বিকাশ সমাজৰ সামগ্ৰিক উন্নয়নৰ এক গুৰুত্বপূৰ্ণ অংশ। গ্ৰাম্য অঞ্চলৰ প্ৰতিভাৱান খেলুৱৈসকলক আগুৱাই নিয়াৰ ক্ষেত্ৰত এনে প্ৰতিযোগিতাই বিশেষ ভূমিকা পালন কৰে। তেওঁ যুৱ প্ৰজন্মক খেল-ধেমালিৰ জৰিয়তে সুস্থ জীৱনশৈলী গঢ়ি তোলাৰ আহ্বান জনোৱাৰ লগতে ক্ৰীড়াৰ জৰিয়তে শৃংখলা, একতা আৰু ভ্ৰাতৃত্ববোধ শক্তিশালী হয় বুলি উল্লেখ কৰে। আয়োজক বিপিএফৰ নিমুৱা প্ৰাইমাৰী কমিটিয়ে জনোৱা মতে, তিনিদিনীয়া এই প্ৰতিযোগিতাত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ একাধিক মহিলা ফুটবল দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ জৰিয়তে নতুন প্ৰতিভা চিনাক্ত কৰাৰ লগতে মহিলা খেলুৱৈসকলক অধিক উৎসাহিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উদ্বোধনী খেলখন যথেষ্ট প্ৰতিদ্বন্দ্বিতাপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয় আৰু দৰ্শকৰ ব্যাপক সঁহাৰিয়ে প্ৰতিযোগিতাখনক অধিক আকৰ্ষণীয় কৰি তোলে। অহা কেইদিনত কেইবাখনো ৰোমাঞ্চকৰ খেল অনুষ্ঠিত হোৱাৰ আশা প্ৰকাশ কৰিছে আয়োজকসকলে। স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজে এনে পদক্ষেপক আদৰণি জনাই ভৱিষ্যতেও মহিলা ক্ৰীড়াৰ উন্নয়নৰ বাবে নিয়মীয়াকৈ এনে প্ৰতিযোগিতা আয়োজনৰ দাবী জনাইছে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে বিপিএফৰ শালবাৰী জিলা সমিতিৰ সভাপতি ভুৱনেশ্বৰ গয়াৰী, শালবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাক্তন পাৰিষদ ৰঞ্জিত খেৰকেটাৰীয়ে।

# নলবাৰীত আন্তঃজিলা এথলেটিকছৰ কামৰূপৰ ৬ এথলীটৰ পদক অৰ্জন

## দুটাকৈ সোণৰ পদকেৰে উজ্জ্বলিল শুৱালকুছিৰ ডিম্পী মেধি



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত আৰু নলবাৰী জিলা ক্ৰীড়া সন্থাৰ সহযোগত নলবাৰীৰ সৰিয়হতলীস্থিত নৱ-নিৰ্মিত ক্ৰীড়া প্ৰকল্পত ৩ দিনীয়াকৈ আয়োজিত ৪৭ সংখ্যক ৰাজ্যিক ভিত্তিত আন্তঃজিলা জুনিয়ৰ আৰু ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। ৰাজ্যৰ প্ৰায় ১১০০ এথলীটে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনত কামৰূপ জিলাৰ ৬গৰাকী এথলীটে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি সৰ্বমুঠ ৭টা পদক অৰ্জন কৰে। ইয়াৰে ভিতৰত নিজৰ ব্যক্তিগত শ্ৰেষ্ঠ প্ৰদৰ্শনৰ জৰিয়তে কামৰূপ জিলাৰ এথলীট ডিম্পী মেধিয়ে মহিলা শাখাৰ ২০০ মিটাৰ দৌৰত ২৫.৭৯ চেকেণ্ড সময়েৰে সোণৰ আৰু ৪০০ মিটাৰ দৌৰত ১ মিনিট সময়ৰে দুটাকৈ সোণৰ পদক আজুৰি আনে। আনহাতে জিলাখনৰ হৈ প্ৰতিনিধিত্ব কৰি ল'ৰাৰ ২০ বছৰ অনুৰ্দ্ধ শাখাৰ চটপুটত মানস প্ৰতিম ৰাভাই ১৩.৫৩ মিটাৰেৰে ৰূপৰ, ল'ৰাৰ ১৮ বছৰ অনুৰ্দ্ধ শাখাৰ ১১০ মিটাৰ হাৰ্ডলছ দৌৰত ভাৰ্গৱ বড়োই ১৫.০২ চেকেণ্ড সময়েৰে সোণৰ, ছোৱালীৰ ১৮ বছৰ অনুৰ্দ্ধ শাখাৰ ১০০০ মিটাৰ দৌৰত ধৃতিমা উজীৰে ১৩ মিনিট ১৪ চেকেণ্ড সময়েৰে সোণৰ, ছোৱালীৰ ১৬ বছৰ অনুৰ্দ্ধ শাখাৰ চটপুটত বিথিকা গগৈয়ে ৯.১১ মিটাৰেৰে ব্ৰঞ্জৰ আৰু ছোৱালীৰ ১৮ বছৰ অনুৰ্দ্ধ শাখাৰ লং জাম্পত ৰিবা বেগমে ৪.৭৮ মিটাৰ জপিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। খেলুৱৈ কেইগৰাকীৰ সফলতাৰ পিছতেই কামৰূপ জিলা ক্ৰীড়া সন্থাই অভিনন্দন জ্ঞাপন কৰিছে।

# নগাঁৱৰ জামুগুৰিত 'কৰবীৰ চোতালত কবিতাৰ এপলক' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰি নিৱাসী শিশু সাহিত্যিক, কবি, গীতিকাৰ, প্ৰৱন্ধকাৰ তথা সুলেখিকা কৰবী লিগিৰাৰ সত্তৰ সংখ্যক ওপজা মাহ উপলক্ষে অগ্ৰণী মহিলাগৰাকীৰ বাসগৃহৰ চোতালত দেওবাৰে নগাঁও জিলা কবি সন্মিলন, জামুগুৰি শাখা কবি সন্মিলন আৰু জামুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত 'কৰবীৰ চোতালত কবিতাৰ এপলক' শীৰ্ষক এটি কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। প্ৰযুক্তি দেৱীৰ বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ হোৱা ব্যতিক্ৰমী অনুষ্ঠানটিত আদৰণি ভাষণ আগবঢ়াই জামুগুৰি শাখা সাহিত্য সভাৰ সম্পাদক উৎপল বৰদলৈয়ে। কবি মদাৰজ্যোতি আৰু প্ৰদ্যুম্ন বৰাই যুটীয়াভাৱে আঁত ধৰা অনুষ্ঠানটিত বিগত সময়ছোৱাত সুলেখিকা কৰবী লিগিৰাৰ বিভিন্ন কাকত, আলোচনী, পত্ৰিকা আদিত প্ৰকাশিত গল্পসমূহৰ একত্ৰ সংকলন 'উকা কাগজৰ নাও' উন্মোচন কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই। জামুগুৰিৰ ভাগ্যলিপি নামতি দলে দিহানাম পৰিৱেশনেৰে এক সুকীয়া মাত্ৰা প্ৰদান কৰা মনোগ্ৰাহী অনুষ্ঠানটিত নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী, উপদেষ্টা ক্ৰমে কেশৱ বৰা, মোলান লস্কৰ, অশোক ৰাম ভট্টাচাৰ্য, গুণ কাকতী, মিনতি দেৱী কাকতি, এল প্ৰদীপ কুমাৰ সিংহ, ৰঙাজিএগুা সদৰ শাখা কবি সন্মিলনৰ সভাপতি কিশোৰ দাস, জামুগুৰি শাখা সাহিত্য সভাৰ সভাপতি মিলন নাথ, কামপুৰ আঞ্চলিক কবি সন্মিলনৰ সভাপতি খৰ্গেশ্বৰ বৰা, সোণাইপৰীয়া শাখা কবি সন্মিলনৰ সভাপতি সঞ্জীৱ সাগৰ চৌধুৰীকে প্ৰমুখ্য কৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিতি থাকে। শিল্পী ড° কল্পিতা দেৱী আৰু সত্যপ্ৰভা দেৱীৰ দ্বাৰা পৰিৱেশিত সুমধুৰ গীতেৰে মুখৰিত হৈ পৰা অনুষ্ঠানটিক কবিতা পাঠেৰে সমৃদ্ধ কৰে কৰবী লিগিৰা, নগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক পৱন শৰ্মা, কবি শশীন্দ্ৰ দেৱ মহন্ত, ৰাজেন বৰা, গোবিন চন্দ্ৰ নাথ, বকুল চন্দ্ৰ শৰ্মা, ৰীনা লস্কৰ, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, দীপক কুমাৰ নাথ, দিলীপ শইকীয়া, স্বভাৱ কবি নৰেন নাথ, হাচিনা মমতাজ, আশা বৰা মন, শকুন্তলা শইকীয়া, পুষ্পজ্যোতি নাথ, যুগান্তৰ নাথ, যুৱ কবি ৰূপম নাথ, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক দীপজ্যোতি কাকতি, নৱজ্যোতি বৰা, দীপক কুমাৰ নাথ, ডিম্বেশ্বৰ বৰা, অনুপজ্যোতি লাহন, হিৰণ কাকতি, বিমান মজুমদাৰ, কুমাৰ পদ্মনাভ, বিনয় দাস, ধন দাসকে ধৰি প্ৰায় চাৰিকুৰি নবীন-প্ৰবীন কবিয়ে। শেষত সুলেখিকা কৰবী লিগিৰাৰ স্বামী মুনীন্দ্ৰ নাথ আৰু পুত্ৰ অম্লান প্ৰতিম হাজৰিকাৰ শলাগৰ শৰাইৰে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ সামৰণি পেলোৱা হয়।

# উজনি আসমৰ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হৈছে অ'এনজিচি-অসমৰ সম্পত্তি

## অব্যাহত আছে অ'এনজিচিৰ সাহায্য আৰু উদ্ধাৰ অভিযান




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** উজনি অসমৰ বিধ্বংসী বানৰ ফলত শিৱসাগৰ, নাজিৰা, লাকোৱাত অ'এন জি চি, অসম এচেটৰ কাৰ্যালয় আৰু আৱাসিক উপনিৱেশতো বিশেষ প্ৰভাৱ পৰিছে। উল্লেখযোগ্য যে, অ'এনজিচিৰ অন্তৰ্গত কেইবাটাও অঞ্চলত পানী জমা হোৱাৰ ফলত বহু কৰ্মচাৰীৰ বাসগৃহত ক্ষতিসাধন হৈছে। আনহাতে কেইবাখনো বাহন ডুব গৈছে আৰু কৰ্মচাৰীৰ ঘৰুৱা সামগ্ৰী তথা অন্যান্য ব্যক্তিগত সম্পত্তিৰ ক্ষতিসাধন হৈছে। ইয়াৰ ফলত কাৰ্যালয় আৰু কাৰ্যকৰী কাম-কাজতো ব্যাপক প্ৰভাৱ পৰিছে। সমগ্ৰ পৰিস্থিতিৰ প্ৰতি সঁহাৰি জনাই অ'এনজিচিয়ে লগে লগে সাহায্য আৰু উদ্ধাৰ ব্যৱস্থা আৰম্ভ কৰাৰ লগতে বিভিন্ন সংস্থাৰ সহযোগত ক্ষতিগ্ৰস্ত কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হয়। কোম্পানীৰ দলসমূহে পৰিস্থিতিৰ ওপৰত নিৰন্তৰ নিৰীক্ষণ কৰি আছে আৰু প্ৰয়োজনীয় সহায় আগবঢ়াই আছে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পৰিস্থিতি স্বাভাৱিক কৰা আৰু কৰ্মচাৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অত্যাৱশ্যকীয় সেৱাসমূহ পুনৰুদ্ধাৰ কৰাৰ বাবে অ'এনজিচিয়ে অবিৰত প্ৰচেষ্টা চলাই থকা পৰিলক্ষিত হৈছে। শিৱসাগৰৰ বিশেষ সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'য়ে অ'এনজিচিৰ এনে দায়িত্ববোধতাক স্বাগতম জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰিছে।

# নগাঁৱত অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ শিশু নাট কৰ্মশালাৰ সামৰণি

## নাট্যকাৰ, পৰিচালক অভিনেতা দীপক বৰাক নট নক্ষত্ৰ-সন্মান প্ৰদান, ধাৰ কৰা শক্তিৰে আনক পোহৰ কৰা আমি উপগ্ৰহ মাথোঁ ঃ দীপক বৰা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ যোৱা ২৬ জুলাইত সামৰণি পৰে। নগাঁও জিলাৰ গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত বিয়লি অনুষ্ঠিত হয় শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান। বিয়লিৰে পৰা অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক, লেখক তথা সুবক্তা মোহিনীমোহন ডেকাই। এই অনুষ্ঠানতেই বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক দীপক বৰাক কলংপাৰ শাখাৰ তৰফৰ পৰা প্ৰদান কৰা হয় নট-নক্ষত্ৰ সন্মান। অসমৰ সোনসেৰীয়া কৃষ্টিকেই জীৱনৰ অংগস্বৰূপ কৰি লোৱা এইগৰাকী নাট্য কৰ্মী দীপক বৰাই ৰাইজ আৰু প্ৰশিক্ষাৰ্থীসকলৰ মাজত এই সন্মান লাভ কৰি আৱেগিক হৈ পৰে। সন্মান লাভ কৰাৰ পিছতেই এইগৰাকী কৃষ্টিৰ সাধক দীপক বৰাই তেওঁৰ ভাষণত কয়- গুৰুজনাকে ধৰি আমাৰ যিসকল নক্ষত্ৰ তথা আমাৰ গুৰু তেওঁলোকে দি থৈ যোৱা শক্তিৰে আনক পোহৰ কৰাৰ প্ৰয়াস কৰা আমি মাথোঁ একোটা উপগ্ৰহ। ধাৰ কৰা শক্তিৰে আনক পোহৰ কৰা আমি উপগ্ৰহ যদিও চিন্তা আৰু নিজৰ চেষ্টা সন্নিৱিষ্ট কৰি আগবাঢ়ি গৈছো। আমি নাটকৰ তৃণমূল কৰ্মী। সৰুৰে পৰা গাঁৱত ভাওনা কৰিছো। আমাৰ মন যায় গুৱাহাটী বা নগাঁৱৰ দুশ তিনিশ দৰ্শকৰ মাজত নাটক কৰিবলৈ। তেনেদৰে নাটক কৰাৰ পিছতো আমাৰ মূল লক্ষ্য তৃণমূল তথা গাঁও অঞ্চলত নাটক কৰা। গাঁও অঞ্চল আমাৰ প্ৰাণৰো প্ৰাণ বুলি উল্লেখ কৰে। উল্লেখ্য যে, যোৱা ১৭ জুলাইৰ পৰা ২৬ জুলাইলৈকে অনুষ্ঠিত হোৱা দহদিনীয়া শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে প্ৰবীণ নাট্য কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী নৰেন্দ্ৰ নাথ শৰ্মা, নাট্যকাৰ, পৰিচালক হেমকান্ত বৰুৱা আৰু নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা সমাজকৰ্মী কুমুদ চন্দ্ৰ বৰাই। কলংপাৰ শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহকাৰী সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম নাট্য সন্মিলন কামপীঠ মণ্ডলৰ সভাপতি মনোজ বৰদলৈ,সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া, নগাঁও জিলা সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা, সম্পাদক জিতুমণি মহন্ত, বঢ়মপুৰৰ মূৰ্ছনা নৃত্য মঞ্জুৰী সংগীত বিদ্যালয়ৰ তত্বাৱধায়ক জয়ন্ত শৰ্মা, সমাজকৰ্মী নৰেন্দ্ৰ নাথ বৰা, কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰা, কাৰ্যকৰী সভাপতি কিৰণ কুমাৰ নেওগ প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। শিশু নাট কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে অভিনেতা তথা পৰিচালক ৰাজেন ফুকন, নাট্যকাৰ, অভিনেতা তথা পৰিচালক নৱজ্যোতি বৰা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী, অভিনেতা ক্ৰমে সুস্মিতা শইকীয়া, অঞ্জল বৰা, নাট্যকাৰ, অভিনেতা পৰিচালক ক্ৰমে গোলাপ বৰা, সীমান্ত কলিতা আৰু নাট্যকৰ্মী শোণিত কুমাৰ বৰাই। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক শাখাৰ তৰফৰ পৰা প্ৰমান-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ্থীসকলে এলানি চুটি শিশু নাট প্ৰদৰ্শন কৰে।

# নগাঁৱৰ চকলাঘাটত কাঁচিয়লি নৃত্য বিদ্যালয়ৰ শুভাৰম্ভ



**জয়ন্ত মুদৈ, নগাঁও ঃ** দেহ আৰু মনৰ অপূৰ্ব মিলন ঘটাই লয়-তাল-চন্দৰ মাধ্যমেৰে আত্মাৰ প্ৰকাশ ঘটোৱা শিল্পই হৈছে নৃত্য। সাংস্কৃতিক জগতখনত এই নৃত্যই যুগ যুগ ধৰি এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। আনকি নৃত্যই মানুহৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনত যোগাই আহিছে যথেষ্ট অৰিহণা। সেয়ে অতীজৰে পৰা নৃত্যৰ প্ৰতি মানুহৰ আছে বিশেষ আগ্ৰহ আৰু আকৰ্ষণ। মানুহৰ এনে আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি শিশুসকলক উন্নত নৃত্যশৈলীৰ জ্ঞান প্ৰদানৰ উদ্দেশ্যৰে নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ব্ৰাহ্মণগাঁৱত বৃন্দাবন মঞ্চৰ উদ্যোগত শুভাৰম্ভ কৰা হৈছে এখনি নৃত্য বিদ্যালয়ৰ। কৃষ্টিৰ পথাৰত নতুনকৈ সংযোজন ঘটা 'কাঁচিয়লি নৃত্য বিদ্যালয়' নামৰ এই বিদ্যালয়খনিৰ শুভ উদ্বোধনী অনুষ্ঠানটি শুকুৰবাৰে বিয়লি চকলাঘাটৰ ব্ৰাহ্মণগাঁও ৰাজহুৱা ভৱনত অনুষ্ঠিত কৰা হয়। এই মৰ্মে 'নূপুৰ মোমাইদেউ' খ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাখনি উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ, শিল্পী ৰাণা প্ৰকাশ বৰাই। বৃন্দাবন মঞ্চৰ স্বত্বাধিকাৰী দেৱব্ৰত বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিৰ প্ৰাকক্ষণত নটৰাজৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম সত্ৰ মহাসভাৰ পশ্চিম নগাঁও জিলা সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীয়ে। বিশিষ্ট কবি সঞ্জীৱ সাগৰ চৌধুৰীয়ে আঁত ধৰা ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত জনপ্ৰিয় সংগীত শিল্পী জিতু শ্ৰাৱন, বিশিষ্ট চিত্ৰশিল্পী অজিত বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, নৱজ্যোতি বৰা, সত্ৰীয়া শিল্পী তথা প্ৰশিক্ষক মানস জ্যোতি বৰা, সাংস্কৃতিক কৰ্মী জিতেন কুৰ্মী, পংকজ বৰা, প্ৰশান্ত বৰাকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকি শিশুসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে পাঠ্যপুথিৰ শিক্ষাৰ সমান্তৰালভাৱে সাংস্কৃতিক দিশটোৰ প্ৰয়োজনীয়তাৰ বিষয়ে বক্তব্য প্ৰদান কৰে। শেষত সম্প্ৰতি উজনি অসমত সংহাৰী ৰূপ ধাৰণ কৰা প্ৰলয়ংকৰী বানত প্ৰাণ হেৰুৱা লোকসকলৰ আত্মাৰ চিৰশান্তিৰ লগতে বান পৰিস্থিতি শাম কটাৰ কামনাৰে প্ৰাৰ্থনা জনাই কাঁচিয়লী নৃত্য বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠানটিৰ সামৰণি পেলোৱা হয়।

## এটা সময় আহিব

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

এটা সময় আহিব ,
আমাৰ হাতত বহুত সময় থাকিব
কিন্তু পাতিবলৈ কথাবোৰ শেষ হৈ যাব।
আমি কি কথা পাতিম ?
আমি কাৰ কথা পাতিম ?
পেনডেমিকে সেমেকাই পেলোৱা পৰিৱেশটোৰ কথা পাতিম।
নে ইৰাণ-ইজৰাইলৰ যুদ্ধৰ কথা পাতিম ?
মণিপুৰৰ বিভীষিকাময় সময়বোৰৰ কথা পাতিম।
নে উৰণীয়া সেঁতুৰে বেহু সজা আধুনিক গুৱাহাটীখনৰ কথা পাতিম।
নহ'লে পাতিব পৰা যাব, আমাৰ সময়ত হোৱা ট্ৰ'লবোৰৰ পৰিসীমাৰ কথা,
নতুবা ভাইৰেল ট্ৰেণ্ডবোৰৰ কথা।
কোনোবা ইংৰাজী সাহিত্যৰ কবি, লেখকক আজুৰি আনিম নে
বাংলা সাহিত্যিক ৰবীন্দ্ৰনাথৰ গল্পৰ সমালোচনা কৰিম।
নহ'বা পাতিব পৰা যাব পৰিস্থিতিৰ স্থিতাৱস্থাৰ কথা।
আমি কি পাতিলে, সময়ৰ দৰ জুখিব পৰা যাব।
তেতিয়া জীৱনৰ দৌৰত হেৰুওৱা যৌৱনৰ কথাও অমূলক হ'ব।
ৰান্ধনী বেলিৰ সৌন্দয্যতো বয়সৰ চাপ পৰিব।
হিচাপ কৰিব পৰা সময়ে আমনি কৰিব।
তুলাচনীত জুখিবলৈ টকা, সম্পত্তিৰ পাহাৰখনো যথেষ্ট খহিব।
তেতিয়া কথাবোৰ চুটি হ'ব,
প্ৰয়োজন সাপেক্ষে 'এটা শব্দৰ প্ৰকাশ' প্ৰযোজ্য হ'ব।
তেতিয়া সেই সময়বোৰ মনত পেলাব বিচাৰিবা নেকি
য'ত তোমাৰ কথা আছিল কিন্তু সময় নাছিল।
আমি দৌৰি আছিলো,
সময়ৰ টিকনিৰ লগত।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

## বানপানী

**প্ৰভাত বণিয়া**

পানীয়ে খহাই ঘৰ দুৱাৰ
পাহাৰ ভৈয়াম
মন্দিৰ মছজিদ, গীৰ্জা
নামঘৰ কীৰ্তন ঘৰ
পানীত ককবকাই
চহৰ-নগৰ
গাঁও-ভূই
হাট-বজাৰ
ৰাস্তা-ঘাট
পথাৰ-সমাৰ
পানীৰ ৰঙা চকু
সন্ত্ৰস্ত দেশ, ৰজা-মহাৰজা
নেতা পালিনেতা
উটুৱাই লৈ যায় মানুহৰ সৰ্বকালৰ গৰ্ব
অহংকাৰ

পানীৰ ভয়ত বিচুৰ্ত্তি খাওঁ
দুখ দুৰ্গতি আলাই-আথানী
ভোকে পিয়াহে
জৰ্জৰিত হওঁ

পানীৰ আছে অজেয় শক্তি
মানুহৰ সমস্ত ৰণ কৌশল
তচনচ কৰি দিয়ে
নতজানু হওঁ
কৰো নমস্কাৰ
সহনশীল হোৱা বান তুমি
তোমাক ৰুধিব পৰা শক্তি
আমাৰ যে হোৱা নাই অদ্যপি
বানপানী
বানপানী।

## ভয়াৱহ বলীয়া বান

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

দেখিলে বলীয়া বানৰ তাণ্ডৱ
সেউজীয়া পথাৰৰ খেতিডৰা মানুহৰ আৰ্তনাদ
উহঃ সহিব নোৱাৰি,
শোকত বুকুখন সেই দুখৰ দৃশ্যবোৰে
দুচকু সেমেকি উঠে,
চাৰিওফালে কেৱল পানী...
হে বলীয়া বান।
তুমি কিয় ? এই ৰূপ লৈ নদীৰ সোঁতত উটি কালৰূপ ধৰা
ক'ত মাতৃৰ কোলাৰ শিশুটিৰ
আৰ্ত-চিঞৰ-শুনিলে বুকুত খুন্দা মাৰে
কাৰোবাৰ বৃদ্ধ পিতৃক
কোবাল সোঁতে নিলেনো-ক'লৈ
কোনোবাই বিচাৰি ফুৰিছে
কাৰোবাৰ একমাত্ৰ আশ্ৰয় স্থল
নিমাত গৰু, ছাগলী, হাঁহ-কুকুৰা,
উটুৱাই নিছে মৃত্যু মুখলৈ-উহঃ
ভয় হৈছে কৃষকৰ আশাৰ
ধাননি, পথাৰৰ শস্যৰ প্ৰাপ্য পামনে ?
বুকুৰ ভোকৰ জুইকুৰা কিমান দিনলৈ ?
দুখবোৰ উমি উমি জ্বলিছে।
হেৰুৱাৰ বেদনাত মনবোৰ স্তব্ধ হৈ ৰ'ল
অসমৰ ভয়াৱহ বানপানীৰ কবলত
বহু পৰিয়ালৰ, গভীৰ সংকটৰে গৃহহীন হ'ল
খাদ্য, বিশুদ্ধ খোৱা পানী, ঔষধ, কাপোৰ-কানি আদি
নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত বহু কষ্টত ভুগি
বিধ্বস্ত হয় কান্দোনেৰে কৰিছে পাৰ
বানপানীয়ে নিলে বহু কষ্টৰে বনোৱা ঘৰখন
বহু আশাৰ সপোনৰ মৰমৰ সংসাৰখন।
শেষ হৈ গ'ল নিয়তিৰ কৱলত
প্ৰকৃতিয়ে দিয়া হৃদয়ত পোৱা নিষ্ঠুৰ আঘাত
অসহায়জনৰ মনত বহু প্ৰশ্ন ?

**ম'বাইল ঃ** ৯৮৫৪৭-০৪৯৮৫

## নৈঃশব্দৰ ব্যাকৰণ

**প্ৰাণজিৎ দাস,** বজালী

শব্দৰ অবিৰাম কোলাহলত মানুহে যেন
নীৰৱতাৰ মুখখনেই পাহৰি গৈছে।
তথাপিও
প্ৰতিটো নীৰৱতাৰ বুকুত
এখন অব্যক্ত অভিধান
এতিয়াও লাহে লাহে খুলি থাকে।
নগৰৰ কংক্ৰিটে
আকাশৰ নীলা গভীৰতাক ইঞ্চি-ইঞ্চিকৈ জোখে।
সময়-
এজন অদৃশ্য শিক্ষক।
প্ৰতিদিনে
নতুন এটা পাঠ এৰি যায়।
কিছুমান বেদনা
চকুৰ পতাত তিতি নুঠে
কিছুমান প্ৰেম
চিঠিৰ ভাষাত ধৰা নপৰে।
কিছুমান প্ৰতিবাদ
শ্লোগান হৈ গুঞ্জৰি নুঠে-
সেই নীৰৱ স্পন্দনবোৰে
ইতিহাসৰ আটাইতকৈ দীঘল বাক্য লিখে।
জোনাক নামি আহিলে নদীয়ে একো নকয়;
বতাহেও কোনো যুক্তি নিদিয়ে
প্ৰকৃতিয়ে মাথোঁ নিজৰ নীৰৱ ভাষাৰে
মানুহক সোঁৱৰাই দিয়ে।
জীয়াই থকাটোৱেই
এখন অন্তহীন কবিতা।

মই
শব্দতকৈ নীৰৱতাকেই অধিক বিশ্বাস কৰোঁ।
জীৱনৰ গভীৰতম সত্যবোৰ
উচ্চাৰিত নহয়;
সেইবোৰ
নৈঃশব্দৰ ব্যাকৰণতহে
চিৰকাল লিখা থাকে।

**ম'বাইল ঃ** ৯৬৭৮৮-৮১২৬৮

## জীৱনৰ অসাৰতা

**ভটিমা ৰাজবংশী,** নলবাৰী

জীৱনৰ মোহ-মায়াত পৰি
সাগৰৰ নৌকাত ঘৰ সাজিলোঁ,
কল্পনা-জল্পনাৰ বাসনাত পৰি
নৌকাৰ বঠা হেৰুৱালোঁ।
মোৰ আপোন-আপোন বুলি
কত ঋতু পাৰ কৰিলোঁ,
কালৰ ছাঁ-পোহৰত পৰি
বুকুৰ আপোনবোৰক হেৰুৱালোঁ।
ধন-সম্পত্তিৰ লালসাত পৰি
অহৰ্নিশে সপোনৰ পিছত দৌৰিলোঁ,
সপোনে সপোনৰ বাট নিচিনি
অজান হাবিত সোমাই পৰিলোঁ।
ওখ গছৰ ছাঁ বিচাৰি
চোতালৰ দুবৰিক ভৰিৰে গচকিলোঁ,
ধুমুহাৰ সোঁতত গছ উভালি
দুবৰিক হে ভৰিৰ তলত পালোঁ।
অণ্ঠ-কণ্ঠ শুকাই বুলি
সাগৰৰ লুণীয়া পানী খালোঁ,
নীলা পানীৰ গভীৰতা দেখি
মই মূঢ়মতি অৰ্থ নুবুজিলোঁ।
এই জীৱনৰ সাৰ নুবুজি
নেদেখাজনক আওকাণ কৰি গ'লো,
সাগৰৰ নৌকাত ঘৰ সাজি
জীৱনত হাবু-ডুবু খালোঁ।
অসাৰ ধন-সম্পত্তি গঢ়ি
নিজৰ বুলি সাঁচি ৰাখিলোঁ,
বয়সৰ ভৰত চকুৰে নেদেখি
লাঠী এডাল হে লগত পালোঁ।

## উদাসীনতাৰ অন্য নাম

**বনজিত দাস** , ৰিহাবাৰী, বজালী

আবিৰ ৰঙত সঁফুৰা মেলা
দুখত শুকান খৰি
কলৰ মুৰা ফলা টুকুৰা দেহা
খাৰণিৰ চোতাল
জুপুঙা মৰা শব্দৰ ভৰত
আধামৰা।
ফেৰেঙনিৰ ফাকেদি ৰঙা মুৱাৰ হাঁহি
ওফোন্দা আকাশ ঠেহ বন্ধা মন
লঠঙা গছৰ ডালত কলিজাটো আঁকি
অলেখ ভাবৰ বুৰবুৰণি।
উদং লগা গছবোৰৰ যন্ত্ৰণাৰ বোজা
উদাসীনতাৰ অন্য নাম
পুৰঠ হ'ব ধৰা খৰাং বুকু
যেন প্ৰসৱ যাতনাৰ নাৰীৰ হাঁহি
কুঁহিপাত মেলা।
খৰাং লগা নদী
কাৰোবাৰ অপেক্ষাত
নিৰ্লিপ্ততাত বুৰ যোৱা বুকু
বন-বিৰিণাই চাই জুমি
বিৰহ বেদনা।
চৰচৰনি ফটা শুকান মাটি
বগাকৈ বগলীয়ে বিচাৰি পায় কি
আকাশলৈ চাই হাত মেলি
উদাসীনতা
যেন ফাগুন লগা দিন।

# নগাঁৱত ১৮ সংখ্যক নগাঁও জিলা JKA কাৰাটে ডু প্ৰতিযোগিতা সফলতাৰে সম্পন্ন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰতিবৰ্ষৰ দৰে এইবাৰো দিনযোৰা কাৰ্যসূচীৰে নগাঁৱৰ ডিমৰুগুৰিত অৱস্থিত জে, কে,এ (JKA) অসমৰ মূখ্য প্ৰশিক্ষণ কেন্দ্ৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কাৰাটে প্ৰতিযোগিতাখনি সফলতাৰে সম্পন্ন হৈ যায়। কাৰ্যসূচীৰ অংশ হিচাপে জে, কে, এ (JKA) ৰ নগাঁও জিলাৰ মুঠ ১৮ টা ক্লাবৰ ১৭২ জন খেলুৱে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখনিত সৰ্বমুঠ ৫২ টা শাখাত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাৰ সভাপতিত্বত আয়োজন হোৱা প্ৰতিযোগিতাখনিত কুমিটে শাখাত প্ৰথম স্থান দখল কৰে ডিমৰুগুৰি কাৰাটে একাডেমীয়ে আৰু লগতে দলীয় সন্মানীয় কাটা শাখাত প্ৰথম স্থান লাভ কৰে পুৰণিগুদামৰ কাৰাটে একাডেমীয়ে। ইপিনে প্ৰতিযোগিতাখনিত ল'ৰাৰ শ্ৰেষ্ঠ কাৰাটেকা সন্মান ২০২৬ৰ স্থান লাভ কৰে যুটীয়াভাৱে প্ৰতীক দাস আৰু কৌশিক কাংকান মহন্তই। তাৰোপৰি ২০২৬ বৰ্ষৰ ছোৱালীৰ শ্ৰেষ্ঠ কাৰাটেকা সন্মান লাভ কৰে শ্যামলীকা বৰাই। তদুপৰি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ব্যক্তিগত শাখা ক্ৰমে কাটা, কুমিটে আৰু কিহনৰ পৰাও ভালেসংখ্যক প্ৰতিযোগীয়ে স্থান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জে, কে, এ (JKA) অসমৰ মুখ্য প্ৰশিক্ষক লীলা বৰাই অনাগত দিন সমূহত অসমৰ (JKA) অনুশীলন কৰা ছাত্ৰ-ছাত্ৰী সকলৰ জৰিয়তে বিশ্ব অভিলেখ গঢ়াৰ চেষ্টা অব্যাহত ৰাখিব বুলি সমগ্ৰ অসমবাসী ৰাইজলৈ এক বাৰ্তা প্ৰেৰণ কৰে।

# বৰঘাটত মহিলাসহ ড্ৰাগছ সৰবৰাহকাৰী আটক

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ বৰঘাট বাইপাছত আৰক্ষীৰ চকুত ধূলি দিয়াৰ উদ্দেশ্যে এগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীয়ে শৰীৰৰ গোপন স্থানত লুকুৱাই অনা অৱস্থাত প্ৰায় ৫৮ গ্ৰাম হেৰইন নগাঁৱৰ বৰঘাট পহৰা চকীৰ আৰক্ষীয়ে জব্দ কৰে। আনহাতে ড্ৰাগছ্খিনি সৰবৰাহ কৰা চামগুৰি-পুঠিখাইতী অঞ্চলৰ ড্ৰাগছ মাফিয়া ৰাহুল ইছলাম আৰু তেওঁৰ পত্নী কণুমা আবিয়াক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ৰাহুল ইছলামে শিলচৰৰ পৰা এই ড্ৰাগছখিনি সৰবৰাহ কৰা অৱস্থাত বৰঘাটত আৰক্ষীৰ জালত পৰে। ৰাহুলৰ পত্নী কণুমা আবিয়াই পাঁচটা চাবোনৰ বাকচত ভৰাই পোছাকৰ তলত লুকুৱাই ড্ৰাগছখিনি আনিছিল। আৰক্ষীয়ে বলেৰ' চালক ৰূপহী ভকতগাঁৱৰ প্ৰশান্ত দাসকো আটক কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা

## অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ গুৰু পূৰ্ণিমা উপলক্ষে ব্যাস দিৱস পালন

বিৰাজিত হৈ। অনাদি কাললৈ যেন ইয়াৰ আলোক ম্লান পৰি নাযায়। এই ভাষ্য অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসম শাখাৰ সভাপতি মৃণালিনী দেৱীৰ। যোৱা ২৬ জুলাইত অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসম শাখাৰ উদ্যোগত গুৰু পূৰ্ণিমা উপলক্ষে অনুষ্ঠিত 'ব্যাস দিৱস'ত সভাপতিৰ ভাষণত সু-সাহিত্যি মৃণালিনী দেৱীয়ে কয় যে গুৰু হৈছে মানৱ জাতিৰ অন্তৰ্জগতৰ দীপ প্ৰজ্বলক। যি গৰাকীয়ে মানৱ শিষ্যৰ সমগ্ৰ স্বত্ত্বাক আলোকিত কৰি পৰম-পুৰুষ গৰাকীৰ লগত এক পৱিত্ৰ মিলন ঘটাই দিয়ে। অৰ্থাৎ 'গুৰু ব্ৰহ্মা-গুৰু বিষ্ণু গুৰু দেৱ মহেশ্বৰ। আজিও আমাৰ ভাৰতবৰ্ষত অতীতৰে পৰা প্ৰচলিত হৈ আছে গুৰু পূৰ্ণিমা পালনৰ এক নিৰ্দেশিত বা প্ৰচলিত এক পৰম্পৰা তথা এক পৱিত্ৰ নীতি। উক্ত এই মহা তিথিৰ পৱিত্ৰক্ষণত আমি আদি গুৰু-শিক্ষা, গুৰু-দীক্ষা গুৰুৰ লগতে আমাৰ ভাৰতবৰ্ষৰ আধ্যাত্মিক ভেটি তৈয়াৰ কৰোঁতা অৰ্থাৎ সমগ্ৰ বেদশাস্ত্ৰ বিভাগ কৰোঁতা মহাঋষি কৃষ্ণ-দ্বৈপায়ন বেদ ব্যাস। গতিকে গুৰু পূৰ্ণিমাৰ দিনাখন এই গৰাকী কৃষ্ণ দ্বৈপায়ন বেদ ব্যাসকে আমি সমগ্ৰ ভাৰতবাসীয়ে স্মৰণ কৰি আহিছোঁ। এনে এগৰাকী গুৰুৰ প্ৰভাৱতে আজি সমগ্ৰ বিশ্বৰ ভিতৰতে আমাৰ এই বিশাল ভাৰতবৰ্ষই প্ৰাচীন কালৰে পৰা ধৰ্ম নিৰপেক্ষভাৱে মানুহৰ মাজত বহু উন্নত সংস্কাৰ তথা সংস্কৃতি ৰক্ষাৰ মাধ্যম স্বৰূপ আধ্যাত্মিক জ্ঞানৰ পোহৰ বিলাই মানৱ সকলক উচ্চ খাপৰ সংস্কৃতিৱান পুৰুষ হিচাপে গঢ়ি তুলিবলৈ অবিৰাম গতিত আধ্যাত্মিক সাধনাত ব্ৰতী হৈ আছে। ইয়াৰ প্ৰভাৱতে যতি নপৰাকৈ অনেক গুণী-জ্ঞানী-শ্ৰেষ্ঠ মনীষি তথা যোগী পুৰুষসকলে আজিকোপতি যোগ-ধ্যানে ৰত হৈ আছে। ইয়াৰ প্ৰভাৱতে আজিও এই পূণ্যভূমি ভাৰতবৰ্ষত অনেক মহান ধাৰ্মিক পুৰুষৰো আবিৰ্ভাৱ হৈ আছে। গতিকে আমি সকলোৱে জনা উচিত যে এই আধ্যাত্মিক শক্তিয়ে আজিও ভাৰতীয় সনাতনী ধৰ্মক শক্তিশালী কৰি ৰাখিছে। গতিকে এই আধ্যাত্মিকতাই হৈছে ভাৰতৰ একমাত্ৰ শক্তি। তপ, জপ, চিন্তাশীল জ্ঞান সাধনাৰে পৰিপুষ্ট মহাতপস্বী, সাধকসকলৰ এই আধ্যাত্মিক গুণৰ প্ৰভাৱতে আজি আমাৰ দেশ ভাৰতবৰ্ষ বিশ্বগুৰু আসনত বহিবলৈ শক্তি সামৰ্থ্য লাভ কৰিছে বুলি কয়। গুৱাহাটীস্থিত কাহিলীপাৰাত অৱস্থিত জ্যোতি চিত্ৰবনৰ কনফাৰেন্স হক্সলত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ, অসম শাখাৰ সচিব প্ৰধান ড° প্ৰণতি তালুকদাৰ মুদিয়াৰে আঁতধৰা অনুষ্ঠানটিত 'ব্যাস দিৱস' সম্পৰ্কীয় বিশেষ বক্তৃতা প্ৰদান কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, উত্তৰ অসম প্ৰান্তৰ প্ৰান্ত কাৰ্যকাৰিণী সদস্য আৰু অখিলেখাগাৰ প্ৰমুখ, মাননীয় ভৱৰঞ্জন ৰয়ে ভাষণ প্ৰসংগত কয় যে অসমীয়া সাহিত্য আৰু ভাৰতীয় সাহিত্যৰ পাৰ্থক্যৰ বিষয়ে কোৱাৰ লগতে ভাৰতীয় সাহিত্য প্ৰথমাবস্থাত সংস্কৃত ভাষাত লিখা হৈছিল আৰু বৰ্তমান বিভিন্ন আঞ্চলিক ভাষাত সাহিত্য সৃষ্টিৰ কথা কয়। তেখেতে ভাষণ প্ৰসংগত ভাৰতীয় সাহিত্য বোলোঁতে প্ৰথমে ভাৰতক বুজিব লাগিব। আৰু ভাৰত কি, ভাৰতক ভাৰতীয় উপমহাদেশ, বহুৰাষ্ট্ৰীয় কিয় বোলা হয় সেই বিষয়েও ভাষণ প্ৰসংগত কয়। তেখেতে ভাষণ প্ৰসংগত ভাৰতীয় আৰু হিন্দুৰ একেই অৰ্থ বুলি কৈয় সেয়ে ভাৰতীয়ত্ব আৰু হিন্দুত্বৰো একে অৰ্থ বুলি কয়। গুৰু পূৰ্ণিমা উপলক্ষে ব্যাস দিৱসত বিশিষ্ট সাহিত্যিক, অনুবাদক কামাখ্যা বেজবৰুৱাক গুৰু সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি অনুবাদক কামাখ্যা বেজবৰুৱাই ভাষণ প্ৰসংগত কয় যে মহাভাৰত আৰু অন্যান্য পৌৰাণিক গ্ৰন্থত ব্যাসৰ জীৱন সম্পৰ্কে যিখিনি তথ্য পোৱা যায়, সেয়া এটা চৰিত্ৰ সৃষ্টিৰ বাবে যথেষ্ট নহয়। দৰ্শন, ধৰ্ম ৰাজনীতি ইত্যাদি জীৱনৰ গভীৰ প্ৰসংগত মহাভাৰতত তেওঁৰ দীৰ্ঘ ভাষণ পোৱা যায়, কিন্তু ব্যক্তিজীৱন সম্পৰ্কে প্ৰায় একেবাৰেই নাই। তেওঁ সংকটকাল আৱিৰ্ভূত হয়, জ্ঞানদান কৰে আৰু নিষ্ক্ৰান্ত হয়, এইপৰ্যন্ত। তেওঁৰ নিজন আৰু পুত্ৰ শুকৰ জন্ম বৃত্তান্ত, অপুত্ৰক হস্তিনাপুৰ ৰাজপৰিয়ালৰ বাবে পুত উৎপাদন, শুকৰ আত্মজ্ঞান লাভৰ বাবে সৰ্বস্ব ত্যাগৰ পৰিপ্ৰেক্ষিতত তেওঁক বাৎসল্যৰ তীব্ৰ প্ৰকাশ ইত্যাদি দুই-এটা কাহিনীৰ বাহিৰে বাকী সকলোবোৰ আভাস ইংগিত বা সংকেতৰ নিচিনা সমগ্ৰ মহাভাৰততেই বিয়পি আছে বুলি কয়। ব্যাস দিৱসতে লেখিকা পূৰবী বৰুৱাৰ এখন গ্ৰন্থ 'সুগন্ধি পখিলা' হীৰেন ভট্টাচাৰ্য জীৱনীমূলক গ্ৰন্থ উন্মোচন কৰে অখিল ভাৰতীয় সাহিত্য পৰিষদ অসম শাখাৰ সভাপতি তথা সু-সাহিত্যিক মৃণালিনী দেৱীয়ে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সমাজ সচেতন ব্যক্তি আছিছ ভট্টই।

## HBS 2.0 চৰকাৰৰ ঐতিহাসিক বাজেট

বাবে প্ৰস্তুত কৰাৰ এক দীৰ্ঘম্যাদী দৃষ্টিভংগী প্ৰতিফলিত কৰিছে। একেদৰে স্বাস্থ্য খণ্ডত ১৪,৬৩৫ কোটি আৱণ্টন আৰু স্বাস্থ্য উৎকৰ্ষ অভিযানৰ জৰিয়তে স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ প্ৰচেষ্টা লক্ষ্যণীয়।

কৃষি, মহিলা সৱলীকৰণ আৰু সামাজিক সুৰক্ষাৰ ক্ষেত্ৰতো বাজেটখন বিস্তৃত। FPO, Matcha Tea, GI টেগযুক্ত সামগ্ৰী, অৰুণোদয়, লখপতি দিদি, মহিলা উদ্যোগিতা, PMAY, ভূমিৰ পট্টা আৰু চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহে উন্নয়নক অধিক অন্তৰ্ভুক্তিমূলক কৰাৰ প্ৰয়াস প্ৰকাশ কৰে।

তথাপিও, এখন বাজেটৰ সাফল্য কেৱল আৱণ্টনৰ পৰিমাণেৰে জোখা নাযায়। ইয়াৰ প্ৰকৃত মূল্যায়ন হয় ৰূপায়ণৰ গতি, ব্যয়ৰ গুণগত মান, স্বচ্ছতা আৰু জনসাধাৰণৰ জীৱনত ইয়াৰ বাস্তৱ প্ৰভাৱৰ ওপৰত। সেয়েহে চৰকাৰৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান হ'ল-ঘোষিত প্ৰতিশ্ৰুতিসমূহ সময়মতে কাৰ্যকৰী কৰি উন্নয়নৰ সুফল ৰাজ্যৰ প্ৰতিটো অঞ্চল আৰু সমাজৰ প্ৰতিটো শ্ৰেণীৰ ওচৰলৈ লৈ যোৱা। সামগ্ৰিকভাৱে চালে, জয়ন্ত মল্ল বৰুৱাই দাখিল কৰা HBS 2.0 চৰকাৰৰ প্ৰথম বাজেট হৈছে এক উচ্চাকাংক্ষী, বিনিয়োগমুখী আৰু উন্নয়নকেন্দ্ৰিক আৰ্থিক নক্সা। বিত্তীয় শৃংখলা, আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, কৃষি, উদ্যোগ আৰু সামাজিক সুৰক্ষাক একেলগে আগুৱাই নিয়াৰ এই প্ৰয়াসে অসমক অধিক শক্তিশালী অৰ্থনীতিৰ দিশে আগবঢ়োৱাৰ সম্ভাৱনা সৃষ্টি কৰিছে। যদি ঘোষিত নীতি আৰু আঁচনিসমূহ দক্ষতাৰে ৰূপায়িত হয়, তেন্তে ২০২৬-২৭ বৰ্ষৰ এই বাজেটখন কেৱল এখন বাজেট হিচাপে নহয়, অসমৰ আত্মনিৰ্ভৰ আৰু বিকশিত ভৱিষ্যতৰ এক ঐতিহাসিক ভিত্তিপ্ৰস্তৰ হিচাপে চিহ্নিত হ'ব।

## নাজিৰা, শিৱসাগৰ আৰু ডিমৌৰ বানাক্ৰান্ত অঞ্চল,

তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে মত-বিনিময় কৰি চিকিৎসা সেৱাৰ মানদণ্ড সম্পৰ্কে মতামতো গ্ৰহণ কৰে। ইয়াৰ লগতে চিকিৎসালয়খনৰ উপ-অধীক্ষক ডাঃ ৰূপম বৰকাকতি, জ্যেষ্ঠ চিকিৎসকসকল আৰু বিষয়ববীয়াসকলৰ সৈতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকত চিকিৎসা সেৱাৰ গুণগত মান অধিক উন্নত কৰাৰ বাবে বিভিন্ন বিষয়ত বিস্তৃত আলোচনা কৰে। উল্লেখ্য যে, চিকিৎসালয় পৰিদৰ্শনৰ সময়ত মন্ত্ৰীগৰাকীয়ে চিকিৎসক ডাঃ সুৰজিৎ গিৰিৰ সৈতে সৰ্পদংশনৰ সু-চিকিৎসা আৰু চিকিৎসালয়খনত সৰ্পদংশনত শূন্য মৃত্যু নিশ্চিত কৰাৰ সফলতা সম্পৰ্কেও আলোচনা কৰে। আনহাতে চিকিৎসালয়খনৰ বিভিন্ন অভাৱ-অভিযোগ আৰু প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়নৰ বিষয়েও বুজ লোৱাৰ লগতে এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা অতি শীঘ্ৰে গ্ৰহণ কৰি সমস্যা সমাধানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ আশ্বাস প্ৰদান কৰে। পৰিদৰ্শনৰ অন্তত সংবাদ মাধ্যমৰ সৈতে মত-বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, বানপীড়িত অঞ্চলসমূহত স্বাস্থ্য সেৱা যাতে কোনো পৰিস্থিতিত ব্যাহত নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। চিকিৎসক, স্বাস্থ্যকৰ্মী, মোবাইল মেডিকেল টীম, প্ৰয়োজনীয় ঔষধ আৰু অন্যান্য স্বাস্থ্য সামগ্ৰী পৰ্যাপ্ত পৰিমাণে উপলব্ধ ৰখা হৈছে আৰু বান পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে এই ব্যৱস্থা অব্যাহত থাকিব। উক্ত পৰিদৰ্শনত মন্ত্ৰীগৰাকীৰ সৈতে জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান- অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণ এছ, পৰিয়াল কল্যাণ সঞ্চালক কমলজিৎ তালুকদাৰ, ৰাজ্যিক কৰ্মসূচী প্ৰবন্ধক দ্বীপজ্যোতি ডেকা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতা, স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত ৰনন্ময় ভৰদ্বাজ, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকন, চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

## ক্ষতিগ্ৰস্ত চাৰি জিলাৰ এক লাখৰো অধিক পৰিয়ালক দিয়া হ'ব ১৫ হাজাৰকৈ টকা

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ৩ আগষ্টৰ পৰা অৰুণোদয়ৰ ধন দিয়াৰ কথা আছিল যদিও ১ আগষ্টৰ পৰাই প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। অৱশ্যে চাৰি জিলাৰ হিতাধিকাৰীৰ ধন বৃদ্ধি কৰিবলৈ গৈ অন্য জিলাসমূহৰ ধন কিছু হ্ৰাস কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে। এই ক্ষেত্ৰত অন্য জিলাৰ হিতাধিকাৰীয়ে বেয়া নাপায় বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ইপিনে বানত এতিয়ালৈকে ৪ জিলাত ৬১ জন লোকৰ মৃত্যু হৈছে বুলি তথ্য দাঙি ধৰে মুখ্যমন্ত্ৰীয়ে। তথ্য অনুসৰি শিৱসাগৰত ৩০, চৰাইদেউত ২০, যোৰহাটত ৯ আৰু গোলাঘাটত ৭ জনৰ মৃত্যু হৈছে। চলিত বানৰ সময়ত আন জিলাত ৬ জন লোকে প্ৰাণ হেৰুৱাইছে। মুখ্যমন্ত্ৰীৰ মতে বিধ্বংসী বানে প্ৰাণ কাঢ়ি নিয়া প্ৰতিগৰাকী দুৰ্ভগীয়াৰ পৰিয়াললৈ মুঠ ৯ লাখ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁ কয় যে চৰকাৰী নিয়ম অনুসৰি বানত মৃত্যু হোৱা প্ৰতিগৰাকী লোকৰ পৰিয়ালে ৪ লাখ টকাকৈ লাভ কৰিব। তাৰ বিপৰীতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা প্ৰদান কৰা হ'ব অতিৰিক্ত ৫ লাখকৈ টকা।

## ঐতিহাসিক জামুগুৰি সাৰ্বজনীন গৰখীয়া থানত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন'

থানত প্ৰতি বছৰে উদ্‌যাপিত হৈ অহা এটি বাৰ্ষিক উৎসৱ হৈছে 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি। জনবিশ্বাস মতে, পৰম্পৰাগতভাৱে প্ৰতি বছৰে বেছ ওলহ-মালহেৰে অনুষ্ঠিত কৰি অহা এই উৎসৱভাগত শুদ্ধ মন আৰু সৰলভাৱে কোনো লোকে যদি শৰাই-সঁফুৰা আগবঢ়াই তেন্তে তেনেলোকৰ অপূৰণ অভীপ্সা পূৰণ হয়। সেয়ে এনে গভীৰ বিশ্বাসেৰে বছৰৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ভক্ত আহি ইয়াত শৰাই-নৈবেদ্য আগবঢ়াই। এইবেলি ৩২ তম্ বাৰ্ষিক এই 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি শনিবাৰৰ পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে দুদিনীয়াকৈ উদ্‌যাপিত কৰা হয়। তদনুযায়ী বিভিন্ন প্ৰান্তৰ পৰা আহি সমৱেত হোৱা ভক্তৰ উপস্থিতিৰে থান প্ৰাংগণ উদুলি-মুদুলি হৈ পৰাৰ লগতে এক সুন্দৰ আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত ধেনুৰাম নাথ, পোনাৰাম নাথ, মাধৱ নাথ, ভূৱন নাথ, গোলাপ নাথ, চেনাৰাম নাথ, কমল নাথ আৰু কমল মহন্তৰ নেতৃত্বত পৰিৱেশ নিকাকৰণৰ অন্তত থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা মণিকূটত বন্তি প্ৰজ্বনেৰে উৎসৱটিৰ শুভাৰম্ভ ঘটোৱা হয়। ইয়াৰ পিছতে উদ্‌যাপন সমিতিৰ সভাপতি দেৱেন চন্দ্ৰ নাথে ধৰ্মধ্বজা উত্তোলন কৰাৰ বিপৰীতে স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই। ইয়াৰ পিছতে কীৰ্তন পাঠ কৰে বয়োজ্যেষ্ঠ ব্যক্তি মুনিন্দ্ৰ নাথে। দুপৰীয়া গায়ন বিৰেন নাথ আৰু বায়ন ৰুহিত নাথৰ পৰিচালনাত খোল আৰু নাম-প্ৰসংগেৰে অঞ্চলৰ আকাশ-বতাহ মুখৰিত কৰি তোলা হয়। বিয়লি অনুষ্ঠিত হোৱা ভাগৱত পাঠ অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে বেবেজীয়াৰ বিনন্দ চন্দ্ৰ বৰদলৈয়ে। ভাগৱত পাঠ অনুষ্ঠানত পাঠাচাৰ্য হিচাপে ৰহা সৰাগাঁৱৰ অনিল নাথ, মৰিগাঁৱৰ মহেন্দ্ৰ নাথ বৈষ্ণৱ আৰু কুৰুৱাবাহীৰ সুশীল নাথে অংশগ্ৰহণ কৰে। সন্ধিয়া সমুহীয়া বন্তি প্ৰজ্বনেৰে থান চৌহদ উজ্বলাই তোলা হয়। ইফালে, দেওবাৰে উৎসৱৰ দ্বিতীয় দিনা পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু ভক্তপ্ৰাণ সেৱকীসকলে আগবঢ়োৱা শৰাই উছৰ্গাৰ অন্তত পাঠাচাৰ্য অনন্ত নাথৰ দ্বাৰা কীৰ্তন পাঠ পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে গায়ন হেমকান্ত নাথ আৰু বায়ন মুহিধৰ নাথৰ পৰিচালনাত খোল আৰু নাম-প্ৰসংগ আৰু পাঠাচাৰ্য ধনেশ্বৰ নাথৰ দ্বাৰা কীৰ্তন পাঠৰ লগতে গোপাল ভোগ পৰিৱেশন কৰা হয়। দুপৰীয়া মুনিন্দ্ৰ নাথ আৰু অনন্ত নাথৰ পৰিচালনাত মহানামৰ শুভাৰম্ভ কৰা হয়। অগণন ভকত-বৈষ্ণৱৰ উপস্থিতিত বাবলু কুমাৰ নাথৰ নেতৃত্বত মৰিগাঁও আঞ্চলিক নামতি দলে পৰিৱেশন কৰা এই মহানামৰ অমিয়া ধ্বনিত সমগ্ৰ অঞ্চল বিলীন হৈ পৰাৰ বিপৰীতে থান চৌহদত এক মনোমোহা পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। সেইদৰে, বিয়লি মহানামৰ সামৰণিৰ পিছতে প্ৰসাদ বিতৰণ আৰু সমুহীয়া ঘোষা পৰিৱেশনেৰে উক্ত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱৰ যৱনিকা পেলোৱা হয়।

### পৰেশ বৈশ্য ফাউণ্ডেচনৰ বঁটা ঘোষণা

## মৰিগাঁৱৰ ডালিম ফুকনলৈ শ্ৰেষ্ঠ সাংবাদিক, ৰঙিয়াৰ নিভা ডেকা মহন্তলৈ শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটা

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শিক্ষা, সাংবাদিকতা আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে ২০২৬ বৰ্ষৰ শ্ৰেষ্ঠ সাংবাদিক বঁটাৰ বাবে মৰিগাঁও জিলাৰ সাংবাদিক ডালিম ফুকনক আৰু শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটাৰ বাবে কামৰূপৰ ৰঙিয়াৰ শিক্ষয়িত্ৰী নিভা ডেকা মহন্তক নিৰ্বাচিত কৰিছে। উল্লেখযোগ্য যে সাংবাদিক ফুকনে ১৯৮৯-২০০3 সময়ছোৱাত 'দি চেণ্টিনেল', ২০০১-২০২৫ সময়ছোৱাত গুৱাহাটী দূৰদৰ্শন, আকাশবাণী গুৱাহাটী আৰু ২০০২ চনৰ পৰা বৰ্তমানলৈকে তেখেতে দি আছাম ট্ৰিবিউন কাকতৰ মৰিগাঁও সংবাদদাতা হিচাপে সংবাদ জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। প্ৰায় ৩৫ বছৰীয়া সাংবাদিক জীৱনত তেওঁ সামাজিক স্বীকৃতি লাভ কৰিছে। শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটাৰ বাবে নিৰ্বাচিত নিভা ডেকা মহন্তই বৰ্তমান কামৰূপৰ ৰঙিয়াৰ ২৯ নং মুৰাৰা বালিকা প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত হৈ আছে। ইংৰাজ সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী মহন্তই ১৯৯৬ চনৰ পৰাই বিভিন্ন বিদ্যালয়ত সুখ্যাতিৰে সেৱা আগবঢ়াইছে। শিক্ষাৰ ৰূপান্তৰৰ বাবে শিক্ষা বিভাগে শিক্ষকসকলৰ বাবে সময়ে সময়ে আয়োজন কৰা বিভিন্ন শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত তেখেতে সমল ব্যক্তি হিচাপে সেৱা আগবঢ়াই শিক্ষক সমাজৰ মাজত সমাদৃত হৈছে। তেখেতে শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ পৰাও স্বীকৃতি লাভ কৰিছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা-সাংবাদিকতাৰ দিনত এই বঁটা প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

# নগাঁও জিলা হাইস্কুল শিক্ষক সন্থাৰ উজনিত বান সাহায্য প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** শেহতীয়াকৈ উজনি অসমৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ, যোৰহাটৰ মৰিয়নি আৰু নাজিৰাত প্ৰলয়ংকৰী বানে জনজীৱন বিধ্বস্ত কৰিছে। অভাবনীয়ভাৱে এটা নিশাৰ ভিতৰতে প্ৰায় ৭ লাখ লোক গৃহহীন হোৱাৰ লগতে ৭০ গৰাকীৰো অধিক লোকক বানে উটুৱাই নিলে। হাজাৰ হাজাৰ পশুধনৰ মৃত্যু হয়। এতিয়া কেৱল মৃত্যুৰ উপত্যকাত পৰিণত হ'ল উজনি অসমৰ এই তিনিখন জিলা। এই দুৰ্যোগৰ সময়ত অসমবাসী উজনিবাসীৰ দুখত দুখী হৈ চৰকাৰৰ সমান্তৰালকৈ দল-মত নিৰ্বিশেষে বান দুৰ্গতসকলক খোৱাপানী, অন্ন, কাপোৰ আৰু নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ কৰাৰ চেষ্টা চলাইছে। ইয়াৰ অংশ হিচাপে নগাঁও জিলা অধিবিদ্যা পৰিষদেও উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ সকাহ দিবলৈ ওলাই আহে। নগাঁও জিলা হাইস্কুল শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক যজ্ঞেশ্বৰ ৰাজখোৱাই জানিবলৈ দিয়া অনুসৰি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰকল্প বিষয়াগৰাকীয়ে ফোনযোগে কৰা আহ্বানৰ প্ৰতি সঁহাৰি জনাই নগাঁও চহৰৰ নৱৰূপ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ৰেনেছাঁ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কলং কপিলী বিদ্যাপীঠ, মিছন হাইস্কুল, চামগুৰি ফ্লক্সৰেন্স একাডেমী, সৰকাৰ বুক ষ্টলৰ লগতে হাইস্কুল শিক্ষক সংস্থাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিভিন্ন ব্যক্তিয়ে আগবঢ়োৱা সাহায্যৰে উজনি অসমৰ বানাক্ৰান্তসকলক সকাহ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বান দুৰ্গত কে শিক্ষাৰ্থীসকলৰ সহায় হোৱাকৈ কিতাপ, বহী, কলম, পেঞ্চিল, জ্যামিতি বক্স, পানী বটল আদি যোগান ধৰাৰ বাবে সংস্থাই নগাঁও চহৰৰ শিক্ষা ভৱনত মজুত কৰিছে। সন্ধিয়া সেই সামগ্ৰীসমূহ গাড়ীত ভৰাই পুৱা সংগঠনটোৰ এটি দল উজনি অসমলৈ ৰাওনা হৈছে বুলি সম্পাদক যজ্ঞেশ্বৰ ৰাজখোৱাই জানিবলৈ দিয়াৰ লগতে এই অভিযানত সহযোগিতা আগবঢ়োৱা শিক্ষানুষ্ঠান, শিক্ষাগুৰু আৰু প্ৰতিষ্ঠানসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ৰামদিয়াৰ মহেন্দ্ৰ নাথ ডেকালৈ অসম ইতিহাস অধ্যয়ন বঁটা



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শিক্ষা, সাংবাদিকতা আৰু সামাজিক পৰিৱৰ্তনৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেশ্যনে ৰামদিয়াৰ মহেন্দ্ৰ নাথ ডেকালৈ ২০২৬ বৰ্ষৰ 'অসম ইতিহাস অধ্যয়ন বঁটা' আগবঢ়াইছে। তেখেতক 'ৰামদিয়া ঃ ঐতিহ্য আৰু গৰিমা' শীৰ্ষক মূল্যৱান ঐতিহাসিক গ্ৰন্থখনৰ ৰচয়িতা হিচাপে এই বঁটাৰ বাবে মনোনীত কৰা হৈছে। ১৯৫৬ চনত ৰামদিয়াত জন্মগ্ৰহণ কৰা ডেকাই ২০১৬ চনত উত্তৰ পূব সীমান্ত ৰেলৱেৰ মুখ্য বাণিজ্যিক পৰিদৰ্শক হিচাপে অৱসৰ গ্ৰহণ কৰে। ২০২১ চনত প্ৰকাশিত তেখেতৰ এই গ্ৰন্থখনে অসমৰ বৌদ্ধিক মহলৰ যথেষ্ট সমাদৃত হৈছে। তেখেতে ইয়াৰ বাহিৰেও ভাষাবিদ পণ্ডিত কালিৰাম মেধি, প্ৰজ্ঞা-জ্যোতি ড° জ্যোতিপ্ৰসাদ মেধি আদি কেইবাখনো মূল্যৱান গ্ৰন্থ লিখিছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেশ্যন 'শিক্ষা-সাংবাদিকতাৰ দিন' শীৰ্ষক অনুষ্ঠানত তেখেতক এই বঁটা প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।




# আগৰতলাত অসম সাহিত্য সভাৰ উদ্যোগত সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ সম্পন্ন

## ড° ভূপেন হাজৰিকা ত্ৰিপুৰাবাসীৰ সকলোৰে প্ৰিয় ঃ সুব্ৰত চক্ৰৱৰ্তী



**ৰমেন ভৰালী, বংশৰ ঃ** 'ড° ভূপেন হাজৰিকাক স্মৰণ কৰা মানে অসমীয়া জাতিৰ শিল্পী সত্তাটোক স্মৰণ কৰা বুজায়। ব্ৰহ্মপুত্ৰ আৰু গোমতী নদীয়ে কেৱল জলপ্ৰৱাহকেই কঢ়িয়াই ফুৰা নাই, এই নদী দুখনে উত্তৰ-পূব ভাৰতৰ সভ্যতা-সংস্কৃতিৰ সমন্বয়ৰ সজল ধাৰা এটিও কঢ়িয়াই লৈ ফুৰিছে। এই দুই উপত্যকাত বসবাস কৰা জনসাধাৰণৰ পাৰস্পৰিক সম্পৰ্ক, আদান-প্ৰদান আৰু সহৰস্থানে এক ঐতিহ্য গঢ়ি তুলিছে।' যোৱা ২৭ জুলাইত অসম সাহিত্য সভাৰ উদ্যোগত আৰু ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰৰ সহযোগত আগৰতলা প্ৰেছ ক্লাৱত অনুষ্ঠিত সাহিত্য আৰু সাংস্কৃতিক সমাৰোহত এই মন্তব্য কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। ত্ৰিপুৰা অসম এছ'চিয়েচনৰ সদস্যাসকলৰ দ্বাৰা সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...' পৰিৱেশিত হোৱাৰ পাছত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানটি উদ্বোধন কৰি ত্ৰিপুৰা চৰকাৰৰ আই. টি. আই. বিভাগৰ সাংস্কৃতিক সমিতিৰ উপসভাপতি তথা ত্ৰিপুৰাৰ বিশিষ্ট ব্যক্তি সুব্ৰত চক্ৰৱৰ্তীয়ে কয় -'ড° ভূপেন হাজৰিকা ত্ৰিপুৰাবাসী সকলোৰে প্ৰিয় ব্যক্তি। এই গৰাকী ব্যক্তিক জন্ম শতবৰ্ষত আগৰতলাত সন্মান জনাবলে পোৱাটো ৰাজ্যবাসীৰ বাবে গৌৰৱৰ কথা। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ত্ৰিপুৰা চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক অনিমেষ দেৱবাৰ্মাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ ডীন বিনোদ কুমাৰ মিশ্ৰ, সভাৰ উপসভাপতি পদুম ৰাজখোৱা আৰু ত্ৰিপুৰা অসম এছ'চিয়েচনৰ সাধাৰণ সম্পাদক লক্ষ্যজ্যোতি গোস্বামী আদিয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বিষয়ে তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই উদ্দেশ্যৰ কথকতা উল্লেখ কৰি কয় যে—'অসম সাহিত্য সভাৰ এই অনুষ্ঠানৰ যোগেদি দুয়োখন ৰাজ্যৰ মাজত এটা বৌদ্ধিক, বিদ্যায়তনিক সমন্বয়-সম্ভাৰ বৃদ্ধি কৰাৰ বাবে এটি প্ৰচেষ্টা কৰা হৈছে বুলি উল্লেখ কৰে। অসম ৰাজ্যৰ প্ৰতিকূল অৱস্থাৰ মাজতে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি অসম-ত্ৰিপুৰাৰ ভাষা, সাহিত্য আৰু সাংস্কৃতিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে আয়োজিত এই অনুষ্ঠানত অসম সাহিত্য সভাৰ বিষয়ববীয়া, ত্ৰিপুৰাৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী আৰু বহু সংখ্যক সাহিত্যপ্ৰেমীয়ে অংশগ্ৰহণ কৰে। আগৰতলাৰ ব্ৰহ্মপুত্ৰ গোমতী গৱেষণা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ড° আশীষ কুমাৰ বৈদ্যই শলাগ জ্ঞাপন কৰাৰ পাছত সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত শীলা দাসগুপ্তাৰ পৰিচালনাৰে সংগীত আৰতি সংগীত শিক্ষা কেন্দ্ৰৰ দ্বাৰা সমৱেত সংগীত পৰিৱেশন কৰা হয়। সুজাতা চক্ৰবৰ্তীৰ পৰিচালনাৰে আৰধনা সংগীত চৰ্চা কেন্দ্ৰই অনুষ্ঠান পৰিৱেশন কৰাৰ পাছত নিৰঞ্জন অধিকাৰীয়ে কলা ভৱন, মৃন্ময়ী সামাজিক সাংস্কৃতিক সংস্থা, ৰেণুকা বৰাৰ নেতৃত্বত নৃত্য প্ৰদৰ্শন কৰা হয়। সুদীপ্ত শেখৰ মিশ্ৰ, শীলা দাসগুপ্ত, নন্দিতা সাহা, লনী বৰঠাকুৰ গোস্বামীয়ে সংগীত পৰিৱেশন কৰা সাংস্কৃতিক সন্ধিয়াত কবিতা পাঠ কৰে সুব্ৰত সাহা, কামনা দেৱ, শংকৰ সাহা, গোপা ৰয়, শিবানী ভট্টাচাৰ্য্য, সুচীত্ৰা দাস, শ্যামল বন্তি দে, মিনাক্ষী ভট্টাচাৰ্য্য, কাজল ৰেখা দত্ত, মনোৰঞ্জন দেৱবাৰ্মাৰ লগতে অসমৰ পৰা অংশগ্ৰহণ কৰা বিশিষ্ট কবিসকলে। অনুষ্ঠানত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালী, মোহন মৰান, পৰাগ কুমাৰ বৰুৱা, মৃনাল শইকীয়া, স্বৰ্গজ্যোতি চেতিয়া আদি উপস্থিত আছিল।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা